Content includes AI-generated material


www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MARCH 13, 2025 ■ বৃহস্পতিবাৰ, ২৮ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৬ Guwahati, Assam ।। মূল্যঃ এটকা

## চিএমে উদ্বোধন কৰা স্বাস্থ্যকেন্দ্ৰত তলা




বিতং বাতৰি ৬ পৃষ্ঠাত

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## দ্বিতীয় মণিপুৰৰ শংকা অৰুণাচলত হঠাৎ প্ৰতিবাদৰ দাবানল বৃদ্ধি



ইটানগৰ, ১২ মাৰ্চঃ মণিপুৰৰ পিছত উত্তৰ-পূৰ্ব আন এখন ২ পৃষ্ঠাত চাওক

## বিধানসভাত 'হিটলাৰী শাসন নচলিব' শ্ল'গান বিৰোধীৰ

# প্ৰতিবাদত উত্তাল সদন

ই-সংবাদ, ১২ মাৰ্চঃ পলিটেকনিক আৰু অভিযান্ত্ৰিক মহাবিদ্যায়ৰ শতাধিক অংশকালীন প্ৰৱক্তাই চচলত প্ৰতিবাদ অব্যাহত ৰাখিছে যদিও তৃতীয় পৃষ্ঠাত



## আলফাৰ নামত বৃদ্ধ দম্পত্তীক ধন দাবী, ধৃত তিনি

ই-সংবাদ, শিৱসাগৰ, ১২ মাৰ্চঃ শিৱসাগৰত এহাল বৃদ্ধ দম্পত্তীক আলফা স্বাধীনৰ নামত ধন দাবী কৰি তিনিজন লোক আৰক্ষীৰ জালত শেষাংশ ১৬ পৃষ্ঠাত

## যোৰহাটত দুৰ্ঘটনাত নিহত দুজন ছাত্ৰ

ই-সংবাদ, যোৰহাট, ১২ মাৰ্চঃ যোৰহাটৰ আজান গাঁৱৰ ৰাজপথত ২ পৃষ্ঠাত

## বিজ্ঞাপনত অভিলেখ! চাৰি বছৰত বিজ্ঞাপনত ৩৭০ কোটি টকা খৰচ হিমন্ত চৰকাৰৰ



ই-সংবাদ, ১২ মাৰ্চঃ চৰকাৰে ৰূপায়ন কৰা বিভিন্ন আঁচনিৰ প্ৰচাৰৰ নামত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে বিজ্ঞাপনৰ নামত খৰচ কৰিবলৈ কৃপনালী কৰা নাই। ঋণ লৈ ৪ পৃষ্ঠাত চাওক

## গ্ৰীণ বাছ শূন্য মহানগৰী!

ই-সংবাদ, ১২ মাৰ্চঃ গুৱাহাটীৰ প্ৰায় ১০০ খন গ্ৰীণ বাছৰ ৫ পৃষ্ঠাত চাওক

## ভুৱা গোচৰক লৈ চাঞ্চল্য!

## ষষ্ঠটো গোচৰত পুনৰ গ্ৰেপ্তাৰ আচাৰ্য মহবুবুল হকক

ই-সংবাদ, ১২ মাৰ্চঃ দ্বিতীয়টো গোচৰত জামিন প্ৰদানৰ পূৰ্বেই ষষ্ঠ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় মেঘালয় চমুকৈ ৫ পৃষ্ঠাত

## সংবাদমেলত প্ৰশ্ন ভূপেন বৰাৰ, বাজেটক ভ্ৰম আখ্যা

# ২০৪৭ চনত হিমন্ত বিশ্ব কোনটো দলত থাকিব?

ই-সংবাদ, ১২ মাৰ্চঃ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ২০২৫-২৬ চনৰ ৰাজ্যিক বাজেটক তীব্ৰ সমালোচনা কৰি জনসাধাৰণক শেষাংশ ৪ পৃষ্ঠাত



## হাজোত পুতি থোৱা অৱস্থাত উদ্ধাৰ নিৰুদ্দিষ্ট ছাত্ৰৰ মৃতদেহ

ই-সংবাদ, হাজো, ১২ মাৰ্চঃ কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ ৫ পৃষ্ঠাত

## ঘোচখোৰ বিষয়াৰ অতপালি

## ১০ হাজাৰ টকা ঘোচ লৈ গ্ৰেপ্তাৰ হ'ল দুই খকুৱা বিষয়া

ই-সংবাদ, ১২ মাৰ্চঃ পুনৰ দুই খকুৱা চৰকাৰী কৰ্মচাৰীয়ে হাত দাঙিছে। দৰমহাৰ টকাৰে পেট নভৰা দুই কৰ্মচাৰীয়ে ঘোচ লোৱাৰ সময়তে হাতে-লোটে ৩ পৃষ্ঠাত

## আজিৰেপৰা দোতমাত এবছুৰ কেন্দ্ৰীয় অধিৱেশন

ই-সংবাদ, কোকৰাঝাৰ, ১২ মাৰ্চঃ কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফা পথাৰত কাইলৈ অৰ্থাৎ ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে



প্ৰস্তুতি সম্পূৰ্ণ, বতৰক লৈ চিন্তিত! দুটাকৈ অস্থায়ী হেলিপেড নিৰ্মাণ

অনুষ্ঠিত হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশনথলী চালে চকুৰোৱা ৰূপত ২ পৃষ্ঠাত চাওক

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰেপৰা দোতমাত এবছুৰ

সজাই তুলিছে এবছুৱে। ইতিমধ্যে অধিৱেশনথলীৰ অন্তিম পৰশ দিয়া কাম আৰম্ভ হৈছে আৰু নিশাৰ ভাগতে সম্পূৰ্ণৰূপে সাজু হৈ উঠিব অধিৱেশনথলী। উল্লেখ্য যে এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিবেশনত এইবাৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। অমিত শ্বাহে অহা ১৬ মাৰ্চত এবছুৰ কেন্দ্ৰীয় অধিৱেশন উপলক্ষে অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ আগমনক কেন্দ্ৰ কৰি ইতিমধ্যে বড়োফা পথাৰত দুটাকৈ অস্থায়ী হেলিপেড নিৰ্মাণ কৰাৰ লগতে হেলিপেডৰ পৰা মঞ্চ সংযোগী এটি চি চি ব্লকৰ পথ নিৰ্মাণ কৰি উলিওৱা হৈছে। তদুপৰি প্ৰশাসনে সমগ্ৰ এলেকাৰ লগতে জিলাখনতে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। বাট পথ চিকুনাই তোলাৰ লগতে অঞ্চলটো আবৰ্জনামুক্ত কৰি তুলি সমগ্ৰ দোতমা অঞ্চল নৱৰূপত সজাই-পৰাই তোলা হৈছে। তদুপৰি দোতমাৰ চৌপাশে এবছুৰ হাজাৰ-হাজাৰ হালধীয়া পতাকাৰে অঞ্চলটো ভৰি পৰিছে আৰু এক দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি হৈছে। প্ৰণিধানযোগ্য যে গৃহমন্ত্ৰী অমিত শ্বাহৰ উপৰিও কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানেও এবছুৰ কেন্দ্ৰীয় অধিবেশনত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে অহা ১৪ মাৰ্চত অধিৱেশথলীত অনুষ্ঠিত হ'বলগীয়া শিক্ষা আৰু যুৱ সমাৰোহৰ অনুষ্ঠানত অংশ লব। এবছুৰ চাৰিদিনীয়া কেন্দ্ৰীয় অধিবেশনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী ক্ৰমে উৰ্খাও গৌৰা ব্ৰহ্ম, ৰণোজ পেগু, বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী, লোকসভাৰ সাংসদ ক্ৰমে দিলীপ শইকীয়া, জয়ন্ত বসুমতাৰী, মন্ত্ৰী ক্ৰমে অতুল বৰা, অশিক সিংহল, কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, বড়ো-কছাৰী কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য পাৰিষদ মিহিনেশ্বৰ বসুমতাৰী আদিকে ধৰি ৰাজ্যৰ প্ৰায় প্ৰতিটো ছাত্ৰ সংগঠনৰ সভাপতি-সম্পাদক অধিৱেশনৰ বিভিন্ন কাৰ্যসূচীত উপস্থিত থাকিব। উল্লেখ্য যে, কাইলৈ অৰ্থাৎ ১৩ মাৰ্চত অধিৱেশনৰ প্ৰথম দিন আৰু প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে পুৱা ৮:৩০ বজাত গোঁসাইগাঁৱৰ বিধায়ক জিৰণ বসুমতাৰীয়ে অধিবেশনৰ মূল তোৰণ উদ্বোধন কৰিব। ইয়াৰ পিছতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৮:৪০ বজাত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম সোঁৱৰণী মঞ্চ আৰু পেণ্ডল উদ্বোধন কৰিব। তদ্ৰুপ ৮:৪৫ বজাত কোকৰাঝাৰৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে বীৰ চিলাগাং বসুমতাৰী সোঁৱৰণি প্ৰতিনিধি হল আৰু শিবিৰ মুকলি কৰিব। আবেলি চাৰি বজাত প্ৰতিনিধি আৰু অবজাৰ্ভাৰৰ পঞ্জীয়ন আৰু বিয়লি ৫:০০ বজাত এবছুৰ কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত হ'ব। আনহাতে সন্ধিয়া ৬:০০ বজাত অধিবেশনথলীত শান্তি আৰু প্ৰগতিৰ বাবে বন্তি প্ৰজ্বলন কৰিব এবছুৱে। আনহাতে দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮:০০ বজাত এবছুৰ পতাকা উত্তোলন কৰিব এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ইয়াৰ পিছত ৮:৩০ বজাত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব এবছুৰ প্ৰাক্তন সম্পাদক পৰমেশ্বৰ ব্ৰহ্মই। আনহাতে ৮:৪৫ বজাত বড়োলেণ্ড শ্বহীদলৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিব এবছুৰ উপসভাপতি খৌৰৌমদাও ওৱাৰীয়ে। ইপিনে অধিৱেশনৰ চতুৰ্থ তথা অন্তিম দিনা অৰ্থাৎ ১৬ মাৰ্চৰ মুকলি সভাৰ কাৰ্যসূচীত প্ৰায় দুই লাখ লোকৰ সমাগম হ'ব বুলি ধাৰণা কৰা হৈছে। অধিৱেশনৰ প্ৰস্তুতিৰ বুজ লবলৈ আজি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ লগতে এবছুৰ সভাপতি দ্বীপেন বড়ো আৰু সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী বড়োফা পথাৰত উপস্থিত হৈ প্ৰস্তুতিৰ বুজ লয়। অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে যদিও বতৰক লৈ সামান্য চিন্তিত হৈছে আয়োজক সমিতি। আজি অহা এজাক কিনকিনিয়া বৰষুণে আয়োজক সমিতিক সামান্য চিন্তাত পেলাইছে যদিও সকলো বাধা নেওচি উক্ত অধিৱেশনখন এশ শতাংশই সফল কৰি তুলিবলৈ আয়োজক সমিতি বদ্ধপৰিকৰ হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত হঠাৎ প্ৰতিবাদৰ দাবানল

ৰাজ্যত অশান্তি বিয়পি পৰাৰ আশংকা ঘনীভূত হৈ পৰিছে! অৰুণাচল প্ৰদেশত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব পাৰে বুলি আশংকা কৰা হৈছে। ৪৬ বছৰ পুৰণি ধৰ্মান্তৰণ প্ৰতিৰোধ আইনক লৈ খ্ৰীষ্টান আৰু হিন্দু জনজাতি সংগঠনৰ মাজত মতভেদে তীব্ৰ ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে, অৰুণাচল প্ৰদেশত ১৯৭৮ চনত এই আইন গৃহীত হৈছিল যদিও এতিয়ালৈকে কোনো চৰকাৰে এই আইনৰ 'বিধি' প্ৰস্তুত কৰা নাই। আৰএছএছৰ জনজাতি সংগঠন বনবাসী কল্যাণ আশ্ৰমে বহুদিন ধৰি এই আইন কাৰ্যকৰী কৰাৰ দাবী জনাই আহিছে। সংগঠনটোৰ মতে, এই আইন কাৰ্যকৰী হ'লে জনজাতিসকলৰ মাজত ধৰ্মান্তৰণ বন্ধ কৰিব পৰা যাব। অৰুণাচল প্ৰদেশত বিগত প্ৰায় ৯ বছৰে বিজেপিৰ চৰকাৰ থাকিলেও, আইনখন কাৰ্যকৰী কৰা হোৱা নাই। ২০১৬ চনৰ পৰা মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শাসন কৰি আছে। তেওঁ এই আইনৰ বিধি প্ৰস্তুত কৰিব বুলি কৈ আহিছে যদিও বাস্তৱত কিন্তু সেয়া হৈ উঠা নাই। শেহতীয়াকৈ ২০২৪ চনৰ ৩০ ছেপ্টেম্বৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ইটানগৰ বিচাৰপীঠে ৰাজ্য চৰকাৰক ৬ মাহৰ ভিতৰত এই আইনৰ বিধি প্ৰণয়ন কৰিবলৈ নিৰ্দেশ দিছে। আদালতৰ এই আদেশৰ পিছতে অৰুণাচল খ্ৰীষ্টান ফ'ৰামে ইটানগৰত প্ৰতিবাদ সাব্যস্ত কৰিছে। সংগঠনটোৰ সভাপতি তাৰাহ মিৰিৰ দাবী অনুসৰি, ২ লাখৰো অধিক সংখ্যালঘু লোকে এই আইনৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। অন্যফালে, সংঘৰ সংগঠন বনবাসী কল্যাণ আশ্ৰমে এই আইন কাৰ্যকৰী কৰাৰ দাবীত সক্ৰিয় হৈ পৰিছে। সংগঠনটোৱে বিজেপি চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰি সোনকালে বিধি প্ৰস্তুত কৰাৰ দাবী জনাইছে। অৱশ্যে অৰুণাচল চৰকাৰে অশান্তিৰ আশংকাত কোনো কঠোৰ পদক্ষেপ গ্ৰহণ কৰা নাই। তথাপিও মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে এই আইন কাৰ্যকৰী হ'ব বুলি আশ্বাস প্ৰদান কৰা পৰিলক্ষিত। এনে পৰিপ্ৰেক্ষিতত অসমৰ চুবুৰীয়া ৰাজ্যখনত এতিয়া যিকোনো মুহূৰ্ততে মণিপুৰ সদৃশ পৰিস্থিতি উদ্ভৱ হোৱাৰ আশংকা অধিক প্ৰবল হৈ পৰিছে। উল্লেখ্য যে মণিপুৰতো আৰএছএছ সমৰ্থিত মেইটেই আৰু সংখ্যালঘু খ্ৰীষ্টানসকলৰ মাজত উচ্চ ন্যায়ালয়ৰ এক নিৰ্দেশক লৈ সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত দুৰ্ঘটনাত নিহত দুজন ছাত্ৰ

ৰাজপথত বুধবাৰে এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত দুজন ছাত্ৰ থিতাতে নিহত হোৱাৰ লগতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আন দুগৰাকী ছাত্ৰী। দুৰ্ঘটনাত থিতাতে নিহত হোৱা ছাত্ৰ দুজনক গোৱালপাৰাৰ মছতাফা মুজাহিদ আৰু যোৰহাট লিচুবাৰীৰ ইৰফান হুছেইন বুলি চিনাক্ত কৰা হৈছে। আহত হোৱা ছাত্ৰী দুগৰাকী হ'ল যোৰহাট চিনামৰাৰ খুছবু নভেল আৰু শোণিতপুৰৰ আৰিণা বড়ো। আহত ছাত্ৰী দুগৰাকী সম্প্ৰতি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিসাধীন হৈ আছে। প্ৰত্যক্ষদৰ্শীসকলে জনোৱামতে ছাত্ৰ-ছাত্ৰীকেইগৰাকী আহি থকা ৰঙা ৰঙৰ চাৰিচকীয়া ডাটছন গ' বাহনখনে আজান গাঁৱৰ সমীপত পথৰ ডিভাইদাৰত তীব্ৰবেগে খুন্দা মাৰে। ফলত গাড়ীখনত চুচুৰ্মৈ হৈ পৰাৰ লগতে ভিতৰত থকা ছাত্ৰ-ছাত্ৰীকেইগৰাকী উফৰি বাহিৰত পৰি যায়। নিহত দুই ছাত্ৰ আৰু আহত ছাত্ৰী দুগৰাকী কাজিৰঙা বিশ্ববিদ্যালয়ত অধ্যয়নৰত আছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, গোৱালপাৰা চহৰৰ ২ নম্বৰ কল্পনা নগৰৰ বাসিন্দা মছতাফা মুজাহিদ বিশ্ববিদ্যালয়খনৰ এমবিএৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ আছিল। তীব্ৰবেগৰ বাবেই বাহনখন দুৰ্ঘটনাত পতিত হয় বুলি প্ৰত্যক্ষদৰ্শীসকলে জানিবলৈ দিছে। অধিক তথ্যৰ বাবে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০ হাজাৰ টকা ঘোচ লৈ গ্ৰেপ্তাৰ হ'ল

ধৰা পৰে। অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই আজি লখিমপুৰ জিলাত অভিযান চলাই এজন প্ৰধান শিক্ষক আৰু আন এজন শিক্ষা বিষয়াক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উৎকোচ লোৱাৰ সময়তে নাৰায়ণপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পদ্মেশ্বৰ বৰা, ৰংপুৰ বেতনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহিম দেৱজিৎ শইকীয়া গ্ৰেপ্তাৰ কৰে দুৰ্নীতি নিবাৰক শাখাই। জানিব পৰা মতে, নাৰায়ণপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ পৰা এগৰাকী লোকৰ কাম কৰি আনি দিবলৈ ১০ হাজাৰ টকা দাবী কৰিছিল ৰংপুৰ বেতনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহিম দেৱজিৎ শইকীয়াই। তেওঁ সেই টকা নাৰায়ণপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক দিব লাগে বুলি কৈছিল। লোকজনে কামৰ বিনিময়ত টকা দিবলৈ মান্তি হৈছিল। কিন্তু দুৰ্নীতি নিবাৰক শাখাক খবৰ দিয়ে। আজি ১০ হাজাৰ টকা দিয়াৰ দিন আছিল। আজি দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে অসামৰিক পোছাকত উক্ত লোকজনৰ সৈতে একেলগে যায়। ৰংপুৰ বেতনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহিম দেৱজিৎ শইকীয়াই ১০ হাজাৰ টকা লওতেই হাতে-লোটে ধৰে। প্ৰধান শিক্ষকৰ স্বীকাৰোক্তিৰ ভিত্তিত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পদ্মেশ্বৰ বৰাকো গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে দুয়োজনকে দুৰ্নীতি নিবাৰক শাখাই গুৱাহাটীলৈ আনিছে। শিক্ষাৰ দৰে মানৱ সম্পদ গঢ়া কাৰ্যৰ সৈতে জড়িত প্ৰধান শিক্ষক মহিম দেৱজিৎ শইকীয়া আৰু নাৰায়ণপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পদ্মেশ্বৰ বৰাক কঠোৰ শাস্তি বিহিবলৈ ৰাইজে দাবী উত্থাপন কৰিছে। লখিমপুৰত উৎকোচ লৈ দুই চৰকাৰী কৰ্মচাৰী গ্ৰেপ্তাৰ হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদত উত্তাল সদন

আজি বিধানসভাৰ ভিতৰত শাসক আৰু বিৰোধীক সমুখ সমৰত দেখা যায়। চচলত প্ৰতিবাদ আহি চাকৰি হেৰুওৱা প্ৰৱক্তাৰ হৈ আজি অসম বিধানসভাত বিৰোধীয়ে এঘৰী যুঁজ দিয়া পৰিলক্ষিত হয়। আলোচনা আৰু বিভাগীয় মন্ত্ৰীৰ পৰা বিবৃতি বিচাৰি সভাস্থগিতৰ প্ৰস্তাৱ আনি বিৰোধীয়ে সদন অচল কৰে। প্ৰতিবাদ কৰিবলৈ আহি চৰকাৰক ৰোষত পৰা ১৪৭গৰাকী প্ৰৱক্তাৰ চাকৰি উভতাই দিয়াৰ দাবী জনোৱাত উত্তপ্ত হয় বিধানসভা। আজি বিৰোধীয়ে বিধানসভাৰ কাৰ্যপ্ৰণালী আৰম্ভ হোৱাৰ পিছতে বিৰোধীৰ বিধায়সকলে চাকৰিৰ পৰা বৰ্খাস্ত কৰা প্ৰৱক্তাক চাকৰি উভতাই দিবলৈ দাবী উত্থাপন কৰে। চচলত বাজেট অধিৱেশন আৰম্ভ হোৱা দিনটোৰ পৰা প্ৰতিবাদ কৰি থকাৰ সময়তে চৰকাৰে চাকৰিৰ পৰা বৰ্খাস্ত কৰি প্ৰৱক্তাসকলৰ চাকৰি উভতাই দিয়াৰ দাবীত বিৰোধীৰ বিধায়কসকল আক্ৰমণাত্মক হয়। বিৰোধীয়ে সদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নামধৰি শ্ল'গান দি হিটলাৰী ৰাজ নচলিব বুলি কৈ উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। আজি বিধানসভাৰ বাহিৰত শিক্ষামন্ত্ৰীয়ে চাকৰি উভতি নিদিও বুলি স্পষ্ট কৰে। আনহাতে উচ্চ শিক্ষাৰ কাৰিকৰী শিক্ষা সঞ্চালকে এক বিবৃতি যোগে তেওঁলোকক অংশকালীন চাকৰিয়াল বাবে চাকৰিৰ পৰা অব্যাহত দিয়াৰ কতা উল্লেখ কৰে। সদনৰ বাহিৰত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কয় যে তেওঁলোকে জানে যে তেওঁলোক অংশকালীন চাকৰিয়াল। তেওঁলোকে নিয়মীয়া চাকৰিৰ বাবে অংশগ্ৰহণ কৰিব লাগিছিল। ইতিমধ্যে নিয়মীয়া নিযুক্তিৰ দুটা পৰীক্ষা অনুষ্ঠিত হৈ গৈছে। নিয়মীয়া পৰীক্ষাত বহিবলৈ আহ্বান জনায় শিক্ষামন্ত্ৰীগৰাকীয়ে আৰু কয় যে অসম চৰকাৰৰ কোনো বিধি ব্যৱস্থা নাই যে অংশকালীনক পূৰ্ণকালীনলৈ ৰূপান্তৰ কৰি দিয়া। শিক্ষামন্ত্ৰীৰ এই বক্তব্যৰ পিছতে বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৱ হিটলাৰী ৰাজ বন্ধ কৰিবলৈ দাবী উত্থাপন কৰে। মেধা, উচ্চ শিক্ষিত প্ৰৱক্তাসকলত চাকৰি উভতাই দিয়াৰ লগতে চাকৰি নিয়মীয়া কৰাৰ দাবী জনায়। কংগ্ৰেছৰ বিধায়সকলে হাতে হাতে পোষ্টাৰ লৈ সদনৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বিষয়টোক ৰাজ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে কংগ্ৰেছ, ৰাইজৰ দল, এআইইউডিএফ আৰু চিপিআইএমৰ বিধায়কে চাকৰি উভতাই দিয়াৰ দাবীত চিঞৰ-বাখৰ কৰাত দীৰ্ঘসময় সদন অচল হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিধায়ক অখিল গগৈ, জাকিৰ হুছেইন সিকদাৰ, মনোৰঞ্জন তালুকদাৰসহ কেইবাগৰাকী বিধায়কে থিয় হৈ বিষয়টোক লৈ আলোচনা বিচাৰে। দেৱব্ৰত শইকীয়াই কয় মই সভা স্থগিত প্ৰস্তাৱ আনিছো। অখিল গগৈয়ে থিয় হৈ কয় যে এইটো বিষয় আলোচনা হ'ব লাগে। ইমান শিক্ষকক কেনেকৈ খেদি দিব। অধ্যক্ষই কয় বিষয়টো গুৰুত্বপূৰ্ণ। শূন্যকালত উত্তৰ দিব। আপোনালোকৰ সদস্যৰ নটিচ আছেই। অধ্যক্ষই বাৰে বাৰে কয় অন্যসকলৰ নটিচ নাই। আপোনালোকে বহক। অধ্যক্ষই কংগ্ৰেছৰ বিধায়ক দীগন্ত বৰ্মনৰ জাননী অনুসৰি বিষয়টোক লৈ শূন্যকালত চৰকাৰে উত্তৰ দিব বুলি কয়। কিন্তু বিৰোধীয়ে মানি নলৈ হৈ-হাল্লা অব্যাহত ৰাখে। দেৱব্ৰত শইকীয়াই কয় বিষয়টো গুৰুত্বপূৰ্ণ। এনেদৰে অসমীয়া ল'ৰা-ছোৱালীক খেদিব নোৱাৰে। নিযুক্তি বৈধ। এই বিষয়ত আলোচনা হ'ব লাগে। অখিল গগৈয়ে কয় আজিৰ বিধানসভাত ১৪৭ জনক চাকৰিৰ পৰা খেদাটো উঠাই ল'ব লাগে। আজিৰ বিধানসভাত পলিটেকনিকৰ শিক্ষকক পুনৰ চাকৰি ঘূৰাই দিয়াৰ সিদ্ধান্ত হ'ব লাগে। এইটো হ'বই লাগিব। এইখন হিটলাৰ চৰকাৰ। আজি আলোচনা কৰিবই লাগিব। বিৰোধীৰ হৈ-হাল্লাৰ মাজতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে যদি প্ৰৱক্তাৰ বিষয়টোক লৈ বিৰোধীক প্ৰশ্ন কৰে যে যদি আপোনালোক গুৰুত্বসহকাৰে লৈছে তেন্তে শূন্যকালত উত্তৰ দিব দিয়ক। অখিল গগৈয়ে মন্ত্ৰী পাটোৱাৰীক উভতি ধৰি কয় যে আপোনালোকে তেওঁলোকৰ চাকৰিক লৈ ছিৰিয়াছ হয় নে নহয়। তেতিয়া পাটোৱাৰীয়ে কয় যে অখিল গগৈৰ বক্তব্যক লৈ কি ক'ব লাগে। তেওঁ হেডলাইনত থাকিবলৈ এইবোৰ কৰে। অখিল গগৈৰ কথাত কিয় গুৰুত্ব দিয়ে। তেওঁবোৰ এইবোৰ বিষয়ক লৈ ছিৰিয়াছ নহয়। তেওঁৰ কথাত গুৰুত্ব দি সময় নষ্ট নকৰিব। তেওঁ যি কৈছে তৈ থাকিব দিয়ক। চন্দ্ৰ মোহন পাটোৱাৰীৰ বক্তব্যৰ পিছতে দেৱব্ৰত শইকীয়াই কয় যে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত যি চৰ্ত থাকে, নিয়ম থাকে সেইসমূহ দুয়োটা পক্ষই পালন কৰিব লাগে। ৮২ শতাংশ কাট অফ মাৰ্কত আৱেদন কৰিবলৈ দিয়া হ'ল। এখন সমিতিয়ে নিৰ্বাচন কৰিলে। তেওঁলোকে যাতে অন্য ঠাইলৈ চাকৰিৰ বাবে যাব নোৱাৰে তাৰ বাবে অৰিজিনেল চাৰ্টিফিকেট ৰাখি থয়। যেনেকৈ ডুবাই গ'লে পাছপৰ্টখন ৰাখি থয়। বন্ধোৱা মুক্তি আন্দোলন হৈছিল। তাত শিক্ষিত যুৱক-যুৱতীক চাকৰিৰ পৰা উলিয়াই দিছিল। তেনেকৈ অসম চৰকাৰে শিক্ষক নিবনুৱাক বন্ধোৱা শ্ৰমিকৰ দৰে ৰাখি থৈছিল। তেওঁলোকৰ বয়স পাৰ হ'ল। ছয়মাহ সাত দৰমহা নিদিয়ে। সংবিধানৰ ক'ত লিখা আছে কাম কৰিলে দৰমহা নাপাব। সেই কাৰণে এই প্ৰশ্ন আমি আনিছো। যদি সকলো নিয়ম মতেল চলিলহেঁতেনে তেন্তে আমি একোৱে নকলোহেঁতেন। উপাধ্যক্ষ নোমিল মমিনে বেলেগ এটা ডিভাইজত প্ৰশ্ন আনিবলৈ কয়। উপাধ্যক্ষৰ সুৰতে সুৰ সুৰ মিলাই মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে মই শিক্ষামন্ত্ৰীৰ সৈতে কথা পাতিছো। বেলেগ এটা ডিভাইজত প্ৰশ্ন আনক শিক্ষামন্ত্ৰীয়ে উত্তৰ দিব। কিন্তু বিৰোধীয়ে সেই কথা মানি নলৈ চাকৰি উভতাই দিয়ক বুলি কৈ হৈ-হাল্লা কৰি শ্ল'গান দিবলৈ আৰম্ভ কৰে। হিমন্ত বিশ্ব শৰ্মা হায়ঃ হায়ঃ, হিটলাৰী ৰাজ নচলিব আদি শ্ল'গানেৰে বিধানসভা উত্তাল কৰি তোলে। অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখিবলগীয়া হয়। পিছত সদন পুনৰ আৰম্ভ হয় যদিও কংগ্ৰেছৰ বিধায়কসকলে বাহিৰলৈ ওলাই আহি হাতে হাতে পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞাপনত অভিলেখ! চাৰি বছৰত

চৰকাৰ চলাই থাকিলেও হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে এটা বিত্তীয় বৰ্ষত প্ৰায় এশ কোটি টকালৈকে বিজ্ঞাপনৰ নামত খৰচ কৰি গৈছে। শিৱসাগৰৰ বিধায়ক অখিল গগৈ আৰু কংগ্ৰেছৰ বিধায়ক আব্দুল বাতিন খণ্ডকাৰে কৰা প্ৰশ্নৰ উত্তৰ দি সদনত আজি জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই খৰচৰ তথ্য দাখিল কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰা তথ্য অনুসৰি হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে বিগত চাৰিটা বিত্তীয় বৰ্ষত বিজ্ঞাপনৰ বাবে ৩৭০ কোটি টকাৰ অধিক আৱন্টন দিছে। কংগ্ৰেছ বিধায়ক আব্দুল বাতিন খণ্ডকাৰৰ প্ৰশ্নৰ উত্তৰত হাজৰিকাই তথ্য দি কয় যে মুখ্যমন্ত্ৰী শৰ্মাই ২০২১ চনৰ মে' মাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত বৰ্তমানৰ বিজেপি চৰকাৰে প্ৰিণ্ট, ইলেক্ট্ৰনিক আৰু বাহিৰৰ সংবাদ মাধ্যমত বিজ্ঞাপনত মুঠ ৩৭২.৩৩ কোটি টকা ব্যয় কৰিছে। ইয়াৰ বিপৰীতে, ২০১৬ চনৰ পৰা ২০২১ চনলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বৰ পূৰ্বৰ চৰকাৰে পাঁচটা বিত্তীয় বৰ্ষত বিজ্ঞাপনত ১২৫.৬ কোটি টকা ব্যয় কৰিছিল। মন্ত্ৰীজনে ব্যয়ৰ পৰিসংখ্যা অনুসৰি কয় যে সোণোৱাল চৰকাৰে ২০২০-২১ বৰ্ষত ৩০.২৪ কোটি টকা ব্যয় কৰিছিল। হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পিছত বিজ্ঞাপনৰ ব্যয় ২০২১-২২ বৰ্ষত ৭২.৮৩ কোটি টকালৈ বৃদ্ধি পাইছিল। তাৰ পিছত ২০২২-২৩ বৰ্ষত ৭৮.৮৫ কোটি টকা লৈ আৰু তাৰ পিছত ২০২৩-২৪ বৰ্ষত ১৬০.৯২ কোটি টকালৈ বৃদ্ধি হৈছিল। হাজৰিকাই লগতে কয় যে চলিত বিত্তীয় বৰ্ষ ২০২৪-২৫ বৰ্ষত সকলো ধৰণৰ বিজ্ঞাপনৰ বাবে ৫৯.৭২ কোটি টকা ব্যয় কৰা হৈছে। তদুপৰি, নিৰ্দলীয় বিধায়ক অখিল গগৈৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে অসম চৰকাৰে ২০১৫-১৬ বৰ্ষত বিজ্ঞাপনৰ বাবে ১৮.৫৮ কোটি টকা ব্যয় কৰিছিল। সোনোৱালৰ নেতৃত্বত পৰৱৰ্তী বছৰত ২৬.৮৮ কোটি টকালৈ বৃদ্ধি পাইছিল। আনহাতে এটা নিৰ্দিষ্ট সংবাদ প্ৰতিষ্ঠানক অত্যাধিক বিজ্ঞাপন দিয়াৰ অভিযোগ উত্থাপন হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০৪৭ চনত হিমন্ত বিশ্ব কোনটো দলত

বিপথে পৰিচালিত কৰাৰ বাবে প্ৰস্তুত কৰা এক 'ভ্ৰম' বুলি অভিহিত কৰিছে। এই বাজেট জনসাধাৰণৰ বাবে নহয়, ২০২৬ চনৰ বাবে এটা ৰাজনৈতিক ৰণনীতি। নিবনুৱা, চাহ শ্ৰমিক আৰু খিলঞ্জীয়াক বুৰ্বক বনোৱাৰ বাবে প্ৰস্তুত কৰা হৈছে। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত সংবাদমেলত সম্বোধন কৰি ভূপেন বৰাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি বিধানসভাত মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ পৰিৱৰ্তে ২০৪৭ চনৰ নিৰ্বাচনৰ চিন্তা কৰা বুলি উল্লেখ কৰা মন্তব্যৰ উত্তৰ দি আজি ভূপেন বৰাই ২০৪৭ চনলৈ তেওঁৎ কোনটো দলত থাকিব সেয়া স্পষ্ট কৰা উচিত। কিয়নো তেওঁ এটা দলত ১০ বছৰৰ ওপৰত নাথাকে। অসম চুক্তি ৰূপায়ণ, চাহ জনজাতিৰ শ্ৰমিকৰ কল্যাণ আৰু ৰাজ্যখনৰ অৰ্থনৈতিক স্থিৰতাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক অৱহেলা কৰাৰ অভিযোগ উত্থাপন কৰে। বৰাই অসমক এনে এখন বাজেটৰ প্ৰয়োজন যি সঁচাকৈয়ে বিত্তীয় স্থিৰতা নিযুক্তি আৰু জনকল্যাণৰ ওপৰত গুৰুত্ব দিয়ে। কেৱল প্ৰতিশ্ৰুতি আৰু বিভ্ৰান্তিকৰ পৰিসংখ্যা নিবিচাৰে বুলি কয় বৰাই। ভূপেন বৰাই সংবাদমেলত কয় যে বিত্ত মন্ত্ৰী অজন্তা নেওগৰ এক ঘণ্টা দীঘলীয়া বাজেট ভাষণত অসম চুক্তিৰ কথা কম আছিল। চৰকাৰ অসম চুক্তিৰ ৬ নং দফাৰ সৈতে সম্পৰ্কিত প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ। যিয়ে অসমবাসীৰ বাবে সুৰক্ষা নিশ্চিত কৰে। অসমত দীৰ্ঘদিনীয়া দাবী ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কোনো উল্লেখ নাই। ছয় জনগোষ্ঠীৰ জনজাতীয় মৰ্যাদা বিজেপিৰ এক মুখ্য প্ৰতিশ্ৰুতি আছিল। তেওঁলোক বহু বছৰ ধৰি শাসনত থাকিও প্ৰতিশ্ৰুতি পূৰণ নকৰিলে। এই বাজেটে প্ৰমাণ কৰে যে তেওঁলোকৰ প্ৰতিশ্ৰুতিসমূহ কেৱল ৰাজনৈতিক কৌশল আছিল। কংগ্ৰেছ নেতাজনে চাহ বাগিচাৰ প্ৰতিজন কৰ্মীক ৫,০০০ টকাৰ এককালীন সাহায্য আৱন্টন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰকো লক্ষ্য কৰি লয়। ২০২৬ চনৰ নিৰ্বাচনী ৰণনীতি বুলি দাবী কৰি কয় যে চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকসকলৰ গুৰুত্ব দিয়া বুলি দাবী কৰে, কিন্তু বাস্তৱ বেলেগ। চাহ শ্ৰমিকৰ সঠিক মজুৰি দিয়া নাই, স্বাস্থ্য, শিক্ষা সেৱাৰ উন্নত ব্যৱস্থা কৰা নাই। ৫,০০০ টকাৰ এবাৰ পৰিশোধে কেনেকৈ তেওঁলোকৰ জীৱন সলনি কৰিব বুলি। বৰাই জোৰ দি কয় যে চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি এটা গুৰুত্বপূৰ্ণ বিষয়। চাহ শ্ৰমিকসকলে নূন্যতম মজুৰি বৃদ্ধি আৰু বিত্তীয় স্থিৰতাৰ আশাত বিজেপিক সমৰ্থন কৰিছিল, কিন্তু তেওঁলোক হতাশ আৰু বিশ্বাসঘাতকতাত। বিজেপিয়ে দৈনিক মজুৰি হিচাপে ৩৫১ টকাৰ প্ৰতিশ্ৰুতি দিছিল। পৰিৱৰ্তে উদৰবন্দ, মৰিয়নী, টিংখং আৰু ধলাইৰ চাহ শ্ৰমিকসকলে জীয়াই থাকিবলৈ সংগ্ৰাম কৰি আছে। মুখ্যমন্ত্ৰী শৰ্মাই স্বাৱলম্বী অসম গঢ়ি তোলাৰ বাৰে বাৰে দাবী কৰা স্বত্বেও অসমত নিবনুৱাৰ সংখ্যা ৩৬,৬৬,০০০ত উপনীত হৈছে। শৰ্মাই এবাৰ কৈছিল যে তেওঁ এনে এক পৰিৱেশ সৃষ্টি কৰিব য'ত নিবনুৱাই তেওঁলোকৰ নিজৰ উপাৰ্জনেৰে তেওঁলোকৰ পিতৃ-মাতৃৰ বাবে কাপোৰ কিনিব পাৰে। আজি, আমি এখন বেলেগ ছবি দেখিছোঁ। নিবনুৱা যুৱকৰ সংখ্যা ৩৬ লাখ অতিক্ৰম কৰিছে। তেওঁ কয় যে যোৱা বছৰ ১.১৯ লাখ চাকৰি দিয়া হৈছিল। বাকী ৩৫ লাখ যুৱক-যুৱতীৰ বিষয়ে কি হ'ব? বৰাই প্ৰশ্ন কৰিলে। তেওঁ পঢ়ি থকা আৰু পঢ়াৰ শেষ কৰাৰ প্ৰথমটো বছৰত মাহেকত নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে চৰকাৰৰ নতুন ২,৫০০ টকাৰ মাহিলী বিত্তীয় সাহায্যৰ দিম বুলি কৰা ঘোষণা সমালোচনা কৰে। ২০২৬ চনৰ নিৰ্বাচনৰ ঠিক আগে আগে ২০২৫ চনৰ অক্টোবৰৰ পৰাহে কাৰ্যকৰী কৰা হ'ব বুলি চৰকাৰে কৈছে। এয়া ৰাজনৈতিক উৎকোচৰ বাহিৰে আন একো নহয়। যদি আপুনি সঁচাকৈয়ে নিবনুৱা যুৱক-যুৱতীসকলক সমৰ্থন কৰিব বিচাৰে, তেন্তে অক্টোবৰলৈ কিয় পলম কৰিব? এই আঁচনিখন নিৰ্বাচনৰ পূৰ্বে ভোটাৰসকলক প্ৰভাৱিত কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে। অসমৰ বিত্তীয় অৱস্থাক লৈ গুৰুতৰ উদ্বেগ প্ৰকাশ কৰি কয় যে ৰাজ্যখনে এই বৰ্ষত ৩৬,১৮৫ কোটি টকা ধাৰ ল'ব। ২০২৫-২৬ বৰ্ষলৈ মুঠ ঋণ ২,৮৩,৫৯০ কোটি টকালৈ বৃদ্ধি পাইছে। শৰ্মাই এই আত্মনিৰ্ভৰ অসম নেকি বুলি প্ৰশ্ন কৰে। ৰাজ্য ঋণত ডুব গৈ আছে, ই কেনেকৈ আত্মনিৰ্ভৰশীল হ'ব? আজি অসমৰ জনমূৰি আয় ২,৫০০ টকা। মাহেকত ১২,৫০০ টকা উপাৰ্জন কৰাত হাজাৰ হাজাৰ যুৱক বহিঃৰাজ্যত গৈ কাম কৰিব লগা হৈছে। ২০২৫-২৬ বৰ্ষলৈ কেৱল সূত হিচাপে অসমে ১১,৬৮৭ কোটি টকা পৰিশোধ কৰিব লাগিব। এইটো উন্নয়ন নে বিত্তীয় ব্যৱস্থা ধ্বংস? তেওঁ লগতে চৰকাৰৰ ব্যয়ৰ অগ্ৰাধিকাৰৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি কয় যে যদিও বাজেটত নতুন আন্তঃগাঁথনি আৰু প্ৰকল্পৰ কথা কোৱা হৈছে। আঁচনি বা প্ৰকল্পৰ কথা উল্লেখ কৰিছে ঠিকেই টকাৰ কৰা পৰা খৰচ কৰি তাৰ বিৱৰণ নাই। বাজেটত সমগ্ৰ ৰাজ্যতে গাঁথনি নিৰ্মাণৰ কথা উল্লেখ কৰা হৈছে। কিন্তু এই প্ৰকল্পবোৰৰ বিত্তীয় ব্যয়ৰ কথা ক'ত? এইখন প্ৰকৃত বাজেট নে কেৱল এটা নিয়মীয়া সমিতিৰ দস্তাবেজ? বৰাই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ এক প্ৰতিবেদনৰ উদ্ধৃতি দি কয় যে য'ত কোৱা হৈছে যে অসমৰ ৬০ শতাংশ চহৰীয়া পৰিয়াল আৰু ৮৬ শতাংশ গ্ৰাম্য পৰিয়ালে চাউল ক্ৰয় কৰিবলৈ সংগ্ৰাম কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰগতিৰ কথা কয়, কিন্তু মানুহৰ ওচৰত খাদ্য ক্ৰয় কৰিবলৈও ধন নাই। প্ৰতিবেদনত স্পষ্টকৈ কোৱা হৈছে যে অসমত মাত্ৰ ২.৪৫ লাখ লোকে প্ৰতিদিনে অতি সংগ্ৰাম কৰি আহাৰ যোগাৰ কৰে। এয়াই আমাৰ ৰাজ্যৰ কঠোৰ বাস্তৱতা। চৰকাৰে বাজেটত এটা নতুন উপগ্ৰহ উপস্থাপন কৰাৰ ঘোষণাক সমালোচনা কৰি বৰাই এয়া দৃষ্টি আকৰ্ষণ কৰাৰ এক কৌশল বুলি অভিহিত কৰে। এই উপগ্ৰহটো ক'ত নিৰ্মাণ কৰা হ'ব? এই প্ৰকল্পটো চম্ভালি থকা বিশেষজ্ঞসকল কোন? এইটো প্ৰকৃত সমস্যাবোৰৰ পৰা মানুহৰ দৃষ্টি আঁতৰ কৰাৰ এক ভ্ৰমৰ বাহিৰে আন একো নহয়। বৰাই লগতে দাবী কৰে যে অসমত ২৯ টা ৰাজহুৱা খণ্ডৰ উদ্যোগ ধ্বংস হ'ল। তথাপিও চৰকাৰে স্বীকাৰ নকৰে। এসময়ত হাজাৰ হাজাৰ লোকক চাকৰি প্ৰদান কৰা ৪৬টা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ভিতৰত ২৯টা বন্ধ হৈ গৈছে। চৰকাৰে কি কৰি আছে? এই উদ্যোগবোৰ পুনৰুজ্জীৱিত কৰাৰ ৰোডমেপ ক'ত? স্মাৰ্ট মিটাৰ গাই জনগণক লুটিছে। কংগ্ৰেছ সভাপতিগৰাকীয়ে অসম চুক্তি, নিবনুৱা আৰু দৰিদ্ৰ কল্যাণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহকে যুঁজ অব্যাহত ৰাখিম বুলি ঘোষণা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰীণ বাছ শূন্য মহানগৰী!

চলাচল আজিৰ পৰা বন্ধ হৈ পৰিছে। বাছচালক আৰু কণ্ডাক্টৰসকলে আজি ৰূপনগৰস্থিত পৰিবহন বিভাগৰ কাৰ্যালয়ত প্ৰতিবাদ কৰি বাছসেৱা বন্ধ কৰাৰ সিদ্ধান্ত লয়। মাল্টিটেক কোম্পানীয়ে নিৰ্ধাৰণ কৰা অত্যধিক দৈনিক মাচুলৰ বিৰুদ্ধে বাছচালক আৰু কণ্ডাক্টৰসকলে প্ৰতিবাদ সাব্যস্ত কৰি বাছসমূহ চলাবলৈ মান্তি নহৈ বাছসমূহ থিয় কৰাই ৰাখে। প্ৰতিবাদকাৰী বাছচালক আৰু কণ্ডাক্টৰসকলে অভিযোগ কৰি কয় যে কোম্পানীয়ে প্ৰতিখন বাছৰ পৰা দৈনিক ৭৫০০ টকাকৈ আদায় দিবলৈ চৰ্ত দিছে। ইয়াৰ উপৰিও দিনটো ৭৫০০ টকাকৈ নিদিলে দৰমহাৰ পৰা বাকী টকা কাটি লোৱা হয় বুলি চৰ্ত বান্ধি দিছে। এই সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে গুৱাহাটীৰ ১০০ খন বাছে ৰাস্তাত নানামে বুলি সতৰ্ক কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। ৰূপনগৰস্থিত পৰিবহন বিভাগৰ কাৰ্যালয়ৰ সমুখত দৈনিক মাচুল হ্ৰাস কৰিবলৈ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে যদিও পৰিবহন বিভাগৰ কৰ্তৃপক্ষই আলোচনাত বহা নাই বুলি জানিব পৰা গৈছে। ফলত আজিৰ দিনটোত গ্ৰীণ বাছ উধাও হৈ পৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ষষ্ঠটো গোচৰত পুনৰ গ্ৰেপ্তাৰ আচাৰ্য

ইউএছটিএম উপাচাৰ্য মহবুবুল হকক। মুকলি আকাশৰ তললৈ অহাৰ পূৰ্বে ষষ্ঠটো গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰিছে ঢেকীয়াজুলি আৰক্ষীয়ে। উচ্চ ন্যায়ালয়ে প্ৰথমটো গোচৰত জামিন দি দ্বিতীয়টো গোচৰত জামিনৰ ৰায় সংৰক্ষণ কৰি তৃতীয়, চুতুৰ্থ আপু পঞ্চমটো গোচৰত গ্ৰেপ্তাৰত স্থগিতাদেশ দিছিল যদিও ঢেকীয়াজুলি আৰক্ষীয়ে আজি ষষ্ঠটো গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰে হকক। শ্ৰীভূমি জিলা কাৰাগাৰত বন্দী হৈ থকা হকক কাৰাগাৰৰ ভিতৰতে গ্ৰেপ্তাৰ কৰি শ্ৰীভূমিৰ পৰা ঢেকীয়াজুলিলৈ নিয়া হয়। মহবুবুল হকৰ বিৰুদ্ধে দুটা গোচৰ শ্ৰীভূমিত, এটা গোচৰ বৰপেটাত, এটা গোচৰ কোকৰাঝাৰক, এটা গোচৰ গোসাঁইগাঁৱত আন এটা ১১ মাৰ্চত ঢেকিয়াজুলি আৰক্ষী থানাত ৰুজু কৰা হৈছে। মুকচেদ আলম নামৰ লোকজনে ঢেকীয়াজুলি আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। মুকচে আলমৰ গোচৰতে পুনৰ গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, মহবুবুলক কাইলৈ তেজপুৰৰ আদালতত হাজিৰ কৰোৱা হ'ব। মুকচেদ আলমৰ পুত্ৰও ইউএছটিএমৰ ছাত্ৰ আৰু পাথাৰকান্দি পাব্লিক স্কুলত পৰীক্ষা দিবলৈ গৈছিল। কিন্তু এটা নিউজ চেনেলত মন্তব্য দি মুকচেদ আলমে গোচৰ দিয়াৰ কথা অস্বীকাৰ কৰিছে। মুকচেদ আলমে কয় যে মই খেতিপথাৰত কাম কৰি থকাৰ সময়তে স্থানীয় চকীৰ আৰক্ষীৰ দল আহি মোক কথা থকা বুলি কৈ আৰক্ষী থানালৈ মাতি নিয়ে। তাত মোৰ ল'ৰাৰ কথা সোধে। মই ২ৰ পৰা ৩ লাখ টকা দিয়া বুলি অভিযোগ আনে। কিন্তু মই টকা নাই বুলি কও। কিন্তু মোক বহু সময় থানাত বহুৱাই থৈ বাৰে বাৰে মোৰ ল'ৰাৰ বাবে টকা দিয়া বুলি কয় যদিও মই অস্বীকাৰ কৰো। কিন্তু তেওঁলোকে কয় যে মই টকা দিছো। যদি গোচৰ দিও সেই টকা উলিয়াই দিম বুলি কয়। মই অস্বীকাৰ কৰা যদিও মোৰ পৰা এটা চহী লয়। পিছত গম পাও যে মোৰ চহীৰে গোচৰ ৰুজু কৰা হৈছে। মুকচেদ আলমে বাৰে বাৰে গোচৰ দিয়াৰ কথা অস্বীকাৰ কৰে। সেই গোচৰতে পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে মহবুবুল হকক। শ্ৰীভূমিত ৰুজু দুটা গোচৰৰ ভিতৰৰ এটা গোচৰত জামিন দিয়া হৈছিল। দ্বিতীয়টো গোচৰত জামিনক লৈ ১১ মাৰ্চত শুনানি সমাপ্ত হৈছে যদিও ৰায় নিদি সংৰক্ষণ কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। জামিনৰ ৰায় ঘোষণাৰ পূৰ্বেই ষষ্ঠটো গোচৰত ৰুজু কৰা হয়। হকৰ বিৰুদ্ধে ৰুজু তিনিটা গোচৰত গ্ৰেপ্তাৰ নকৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল। হকৰ বিৰুদ্ধে পঞ্চমটো গোচৰ গোসাঁইগাঁও আৰক্ষী থানাত ৰুজু হৈছিল। উত্তীৰ্ণ কৰাই দিম বুলি এগৰাকী শিক্ষাৰ্থীক পৰীক্ষাত বহুৱাৰ অভিযোগ তুলি শিক্ষাৰ্থীগৰাকীৰ অভিভাৱকে এজাহাৰ দাখিল কৰিছিল। গোসাইগাঁও আৰক্ষী থানাত ৰুজু তৃতীয় গোচৰৰ সন্দৰ্ভত মহবুবুল হকক গ্ৰেপ্তাৰ কৰাত বাধা দি নিৰ্দেশ জাৰি কৰিছিল উচ্চ ন্যায়ালয়ে। পাথাৰকান্দি কেন্দ্ৰত পৰীক্ষা দিয়া ক্ৰিপাঞ্জলি বসুমতাৰী নামৰ এগৰাকী ছাত্ৰীৰ মাতৃ লিলাৱতী বসুমতাৰীয়ে গোসাঁইগাঁও আৰক্ষী থানাত গোচৰ ৰুজু কৰি গোসাইগাঁৱৰ পৰিৱৰ্তে প্ৰায় ৪০০ কিলোমিটাৰ দূৰৰ পাথাৰকান্দিত ক্ৰিপাঞ্জলিক পৰীক্ষা দিবলৈ নিয়াৰ অভিযোগ আনে। ছাত্ৰীগৰাকীৰ পৰিয়ালে ইউএছটিএম কৰ্তৃপক্ষই পৰীক্ষাৰ নম্বৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। হকৰ বিৰুদ্ধে এটা গোচৰত জামিন প্ৰদান কৰিছে উচ্চ ন্যায়ালয়ে। ফ্লাড জিহাদকে ধৰি বিভিন্ন অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আক্ৰমণৰ লক্ষ্য কৰি লোৱা মেঘালয়ৰ ইউএছটিএম নামৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য মহবুবুল হকক ২১ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ডেৰ বজাত গ্ৰেপ্তাৰ কৰিছিল অসম আৰক্ষীয়ে। মহানগৰীৰ ঘোঁৱামৰাৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলালৈ নিছিল। উল্লেখ্য যে, মহবুবুল হকৰ ইআৰডি নামৰ এটা ফাউণ্ডেচনপ অধীনত চলা চিবিএছইৰ শ্ৰীভূমিৰ পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুল চিবিএছইৰ পৰীক্ষাৰ কেন্দ্ৰ কৰা হৈছিল। পথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষা কেন্দ্ৰত ২০ ফেব্ৰুৱাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰীক্ষা কেন্দ্ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ইআৰডি ফাউণ্ডেচনৰ অধীনৰ শিক্ষানুষ্ঠানৰ ২১৪গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা হ'লত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। পৰীক্ষাৰ্থীকসকলক বিশেষ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ আনি সেই সুবিধা নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। আৰক্ষীয়ে পৰীক্ষাৰ্থীৰ ভাষ্য সংগ্ৰহ কৰাৰ লগতে কেইবাগৰাকী লোকে পৰীক্ষাৰ্থীৰ সৈতে বুজাবুজি কৰাৰ তথ্য লাভ কৰে। ধনৰ লেনদেনৰ সন্দেহ কৰি শ্ৰীভূমিত দুটাকৈ গোচৰ ৰুজু কৰা হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাজোত পুতি থোৱা অৱস্থাত উদ্ধাৰ

অন্তৰ্গত বৰ্ণিত সংঘটিত হৈছে এক জঘন্য ঘটনা। পুতি থোৱা অৱস্থাত উদ্ধাৰ কৰা হৈছে নিৰুদ্দিষ্ট ছাত্ৰৰ মৃতদেহ। হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰ্ণিৰপৰা এঘাৰদিন পূৰ্বে নিৰুদ্দিষ্ট উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ নুৰজাফৰ আলী ওৰফে চিণ্টুক মৃত অৱস্থাত উদ্ধাৰ কৰে আৰক্ষীয়ে। মুকালমুৱাৰ চুওৰবড়ীত গাঁতত পুতি থোৱা অৱস্থাত উদ্ধাৰ কৰে চূড়ান্ত বৰ্ষৰ ছাত্ৰজনৰ মৃতদেহ। মৃতদেহ উদ্ধাৰৰ পিছতে বৰ্ণিত সৃষ্টি হয় তীব্ৰ উত্তেজনা। একাংশ উত্তেজিত ৰাইজে হত্যাকাণ্ডৰ সৈতে অভিযুক্ত ছাদ্দাম হুছেইনৰ বাসগৃহত অগ্নিসংযোগ কৰে। অৱশ্যে ঘটনাস্থলীত হাজোৰ ৰাজহ চক্ৰ বিষয়া, আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উদ্ধাৰকৃত ছাত্ৰ নুৰজাফৰ আলী ওৰফে চিণ্টুৰ পৰিয়ালৰ অভিযোগ অনুসৰি, ছাদ্দাম হুছেইন নামৰ সম্পৰ্কীয় খুড়াক এজনে নুৰজাফৰ আলীক হত্যা কৰি নিজক বচাবলৈ এনেদৰে গাঁত খান্দি পুতি থৈছিল। জানিব পৰা মতে, ছাত্ৰ নিৰুদ্দিষ্ট ঘটনাৰ সন্দেহত যোৱা ১০ মাৰ্চত হাজো আৰক্ষীয়ে অভিযুক্ত ছাদ্দাম হুছেইনক আটক কৰিছিল আৰু আটকাধীন ছাদ্দামৰ স্বীকাৰোক্তিৰ ভিত্তিতে আজি আৰক্ষীয়ে মুকালমুৱা-চুওৰবড়ীৰ এটি পুখুৰীৰ পাৰত গাঁত খান্দি নিৰুদ্দিষ্ট ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ কৰে। উল্লেখ্য যে যোৱা ২ মাৰ্চৰ সন্ধিয়াৰপৰা নিৰুদ্দিষ্ট হৈ আছিল নুৰজাফৰ আলী ওৰফে চিণ্টু নামৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰজন। মেধাৱী ছাত্ৰ নুৰজাফৰ ওৰফে চিণ্টুয়ে এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও পৰীক্ষা অন্ত নৌহওঁতেই নিৰুদ্দিষ্ট হৈ পৰে। অৱশ্যে ছাত্ৰজনক কিহৰ বাবে হত্যা কৰা হ'ল সমগ্ৰ ঘটনা আৰক্ষীৰ তদন্তত‌হে পোহৰলৈ আহিব। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰঙীণ বটদ্ৰৱা, ৫ দিনীয়াকৈ বিখ্যাত দৌলযাত্ৰা মহোৎসৱ আয়োজন

**বটদ্ৰৱা থান প্ৰাংগণৰপৰা জয়ন্ত মুদৈ, ১২ মাৰ্চঃ** বৃহত্তৰ অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক তথা অসমীয়া কলা-কৃষ্টি, সাহিত্য-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম আৰু আদি লীলাভূমি নগাঁও জিলাৰ বৰদোৱাৰ পবিত্ৰ বটদ্ৰৱা শেষাংশ ৭ পৃষ্ঠাত



ৰাজ্যিক বাজেট সন্দৰ্ভত কলিয়াবৰ বিজেপিয়ে সংবাদমেল সম্বোধন কৰাৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

## ৰাজ্যিক বাজেটক লৈ কলিয়াবৰত বিজেপিৰ সংবাদমেল

# সমস্যাক লৈ নিশ্চুপ, বাজেটক লৈ সৰৱ

**ই-সংবাদ, পুৰণিগুদাম, ১২ মাৰ্চঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিত্তমন্ত্ৰী অজন্তা নেওগে অসম বিধানসভাৰ বাজেট অধিৱেশনত উত্থাপন কৰা বাজেটখনক লৈ কলিয়াবৰ জিলা বিজেপিৰ কৰ্মকৰ্তাসকলে সন্তুষ্টি প্ৰকাশ কৰিছে। পুৰণিগুদামস্থিত কলিয়াবৰ জিলা বিজেপিৰ কাৰ্যালয়ত বাজেট সন্দৰ্ভত আজি বিয়লি আয়োজন কৰা এখন সংবাদমেল সম্বোধন কৰি শেষাংশ ৮ পৃষ্ঠাত

# ড্ৰাগছৰ কৰাল গ্ৰাস! নলবাৰীত সজাগতা সভা

**ই সংবাদ ব্যুৰ', নলবাৰী, ১২ মাৰ্চঃ** প্ৰজ্ঞা নগৰী নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা ড্ৰাগছ তথা নিচাজাতীয় সামগ্ৰীৰ অবাধ প্ৰচলনৰ বিৰুদ্ধে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ শেষাংশ ৭ পৃষ্ঠাত

# মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা স্বাস্থ্যকেন্দ্ৰত এবছৰে ওলমিছে তলা

## বন্ধ হোৱাৰ উপক্ৰম ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ মাৰ্চঃ** অসমৰ জনপ্ৰিয় তথা কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে ফিটা কাটি শুভ উদ্বোধন কৰা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ ৰূপাইৰ শান্তিপুৰ গাওঁস্থিত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটি চিকিৎসকৰ অভাৱত বন্ধ হোৱাৰ উপক্ৰম হৈছে। অবিশ্বাস্য হলেও এয়াই সত্য। উল্লেখ্য যে, যোৱা বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই একেদিনাই কেইবাটাও চৰকাৰী কাৰ্য্যসূচী হাতত লৈ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু শদিয়া বিধানসভা শেষাংশ ৮ পৃষ্ঠাত

# গুজৰাটত কৰ্মৰত কলগাছিয়াৰ যুৱক নিৰুদ্দেশ

**ই-সংবাদ, কলগাছিয়া, ১২ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত দাবনদিয়া গাঁৱৰ নায়েব আলীৰ ২০ বছৰীয়া পুত্ৰ মহিবুল ইছলাম গুজৰাটৰ তাজপুৰৰপৰা নিৰুদ্দেশ হয়। জানিব পৰা মতে, মহিবুল ইছলাম নামৰ যুৱকজন শেষাংশ ৮ পৃষ্ঠাত

# শ্ৰমিকক অপহৰণ কৰি ইটা ভাটাৰ মালিকৰ অত্যাচাৰ

**ই-সংবাদ, গোলকগঞ্জ, ১২ মাৰ্চঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত বতুৱাতলী গাঁৱৰ এটা ইটা ভাটাৰ পৰা মালিকে শ্ৰমিকক অপহৰণ কৰি নি মাৰপিট কৰি মুমূৰ্ষু অৱস্থাত শেষাংশ ৯ পৃষ্ঠাত

# সাৱধান হওক! হোলীৰ বতৰত বজাৰ ভৰিছে ভেজাল ফাকুৰে

**ই-সংবাদ, বেবেজীয়া, ১২ মাৰ্চঃ** ৰঙৰ উৎসৱ ফাকুৱাক কেন্দ্ৰ কৰি সম্প্ৰতি ৰাজ্যৰ সৰ্বত্ৰে চলিছে ব্যাপক প্ৰস্তুতি। অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিকো আওকাণ কৰি এতিয়া সকলোয়ে এই উৎসৱটি উদযাপনৰ বাবে নিজকে সাজু কৰিছে। সেয়ে সৰু-ডাঙৰ সকলোৱে শেষাংশ ৯ পৃষ্ঠাত

## ডি ডি আৰ কলেজত বাণিজ্য মেলা

# কিতাপ, বহী এৰি ব্যৱসায়ত ছাত্ৰ-ছাত্ৰী

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১২ মাৰ্চঃ** স্ব-নিয়োজন অৰ্থাৎ ইন্টাৰপ্ৰিণাৰশ্বিপৰ যোগেদি ঘৰতে প্ৰস্তুত কৰা সা-সামগ্ৰী কেনেধৰণে জনসাধাৰণৰ মাজত উলিয়াই দিব পাৰি তাৰ বাবে বিদ্যায়তনিক বাহিৰৰ চিন্তা গঢ় দিয়াৰ প্ৰয়াস কৰি মহাবিদ্যালয়খনৰ মহিলা কোষ, উন্নয়ন কোষ আৰু শিক্ষা কোষৰ উদ্যোগত অনুষ্ঠিত কৰা হয় বাণিজ্য মেলা। চাবুৱা ডিডিআৰ মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষৰ আহ্বানত ছাত্ৰ-ছাত্ৰীসকলে সঁহাৰি জনাই সোমবাৰে চৌহদৰ ভিতৰতে আয়োজন কৰে বাণিজ্য মেলা আৰু শেষাংশ ৯ পৃষ্ঠাত

# চৰাইদেউৰ চলা গ্ৰাম্য অভয়াৰণ্যত দুষ্কৃতিকাৰীৰ অগ্নিসংযোগ

**ই-সংবাদ, মথুৰাপুৰ, ১২ মাৰ্চঃ** চৰাইদেউ জিলাৰ অন্যতম সংৰক্ষিত বনাঞ্চল চলা গ্ৰাম্য অভয়াৰণ্যত দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰা ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, কালি দিনৰ ভাগত অৰণ্য খনৰ পশ্চিম দিশত মণ্ডল বাগানৰ কাষত জুই জ্বলি থকা ঘটনা পোহৰলৈ অহা মাত্ৰকে স্থানীয় সচেতন ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় একাংশ সচেতন ব্যক্তিয়ে চলা গ্ৰাম্য অভয়াৰণ্যৰ অগ্নিকাণ্ড



সংঘটিত হোৱাৰ উমান পাই ততাতৈয়াকৈ জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। দাতিকাষৰীয়া সচেতন ৰাইজে জানিবলৈ দিয়া মতে বনাঞ্চলখনৰ মাটিত ব্যক্তিগত বাগান পতাৰ লালসাৰে কোনো অসৎ ব্যক্তিয়ে শেষাংশ ৭ পৃষ্ঠাত

■ ৬নং পৃষ্ঠাৰ পৰা...

# চৰাইদেউৰ চলা অভয়াৰণ্যত

এই কাম সংঘটিত কৰাৰ সন্দেহ কৰিছে। মন কৰিবলগীয়া যে ৬৮৩˙৬৪ হেক্টৰ মাটিকালিৰ এই সংৰক্ষিত বনাঞ্চলখনত বিভাগীয় কৰ্তৃপক্ষৰ কঠোৰ নিৰাপত্তা ব্যৱস্থা নথকাৰ বাবে চোৰাং কাঠ ব্যৱসায়ীয়ে ধাৰাবাহিক উপদ্ৰৱ চলাই বনাঞ্চলখন ধ্বংস কৰাত হাত উজান দি আহিছিল। নানা অৰ্কিড, বন্য জীৱ জন্তু আৰু মূল্যবান গছ গছনিৰে ভৰা এই বনাঞ্চলখনে স্থানীয় পাৰিপাৰ্শ্বিক পৰিবেশত কিমান গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে সেয়া মৰ্মে মৰ্মে উপলব্ধি কৰা চলাপথাৰ শ্যাম গাঁৱৰ বাসিন্দাই অৱশেষত ২০১৮ চনত বনাঞ্চলখনৰ চাৰিওকাষে বাস কৰা ৰাইজৰ লগত আলোচনা কৰি ইয়াক সংৰক্ষণৰ নিজা প্ৰচেষ্টা লৈ পৰৱৰ্তীকালত বনাঞ্চলখনক চলা গ্ৰাম্য অভয়াৰণ্য হিচাপে নামাকৰণ কৰি বিভাগীয় কৰ্তৃপক্ষৰে আলোচনাত মিলিত হৈ বনাঞ্চলখন সুৰক্ষিত কৰাৰ বাবে হাতত লয় এলানি পদক্ষেপ। সংশ্লিষ্ট বনাঞ্চল খনক সুৰক্ষা দিবলৈ গাঁৱবাসীয়ে চলা গ্ৰাম্য অভয়াৰণ্য সুৰক্ষা সমিতি নামৰ এক অনুষ্ঠান গঠন কৰি দাঁতিকাষৰীয়া অন্যান্য অঞ্চলৰ লোকৰ সহযোগত বনাঞ্চলখনক চোৰাং কাঠ ব্যৱসায়ীৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰিবলৈ ইয়াত ব্যৱস্থা কৰে নৈশ পহৰাৰ। এই নৈশ পহৰাৰ ব্যৱস্থাৰ বাবে লাহে লাহে বনাঞ্চলখনত বন ধ্বংস যজ্ঞ সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰে। ২০১৮ বৰ্ষৰ পৰা চলা গ্ৰাম্য অভয়াৰণ্য সংৰক্ষণ সমিতিয়ে ব্যাপক গণ সজাগতা সৃষ্টি আৰু স্বেচ্ছাসেৱী, সুৰক্ষা কৰ্মীৰ ব্যৱস্থা কৰাৰ উপৰিও অৰণ্যখনৰ মুকলি ঠাইসমুহত প্ৰতিবছৰে স্থানীয় বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপন কৰি আহিছে। বিগত বৰ্ষসমূহত কৰা বনানীকৰণ কাৰ্যসূচীৰ জৰিয়তে ১৫ হেজাৰতকৈ অধিক গছপুলি ৰোপন তথা প্ৰতিপালন কৰি চলা বনাঞ্চলক ইয়াৰ পুৰণি ৰূপ প্ৰদান কৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে দুষ্কৃতিকাৰীয়ে কালি বনাঞ্চলখনত অগ্নিসংযোগ কৰা কাৰ্যক সচেতন মহলে তীব্ৰ গৰিহণা দিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ড্ৰাগছৰ কৰাল গ্ৰাস! নলবাৰীত

উদ্যোগত জিলাখনৰ বিভিন্ন স্থানত পথ সভা অনুষ্ঠিত কৰি জন সচেতনতা অনাৰ প্ৰয়াস কৰে। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ আৰু সাঃ সম্পাদক প্ৰাঞ্জল কলিতাৰ নেতৃত্বত অনুষ্ঠিত পথ সভাসমূহত যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক মৃণাল কুমাৰ বৰ্মন, সাংগঠনিক সম্পাদক নগেন শালৈ, কাৰ্যনিৰ্বাহক মনোৰাম কলিতা, জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী পম্পী দেৱী, সাঃ সম্পাদিকা যুটিকা শৰ্মা, জিলা সমিতিৰ প্ৰাক্তন সাঃ সম্পাদক যোগেশ কলিতাকে ধৰি ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থাকি ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। জিলাখনৰ নলবাৰী টাউন, পাইকাৰকুছি চ'ক, বৰমা, কৈঠালকুছি, চামতা, শোলমাৰা, বৰ্ণিবাৰী আদি বিভিন্ন স্থানত অনুষ্ঠিত পথ সভাত ৰাইজক স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰা দেখা যায়। উল্লেখ্য যে নলবাৰী জিলাত ড্ৰাগছ তথা নিচাজাতীয় সামগ্ৰীৰ অবৈধ বেহা ধাৰাবাহিকভাৱে বৃদ্ধি পোৱাত সচেতন ৰাইজ উদ্বিগ্ন হৈ থকাৰ সময়তে যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে আজি জিলা প্ৰশাসনক ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ৰঙীণ বটদ্ৰৱা, ৫ দিনীয়াকৈ বিখ্যাত

থানত পূৰ্বৰ পৰম্পৰা অটুট ৰাখি এইবাৰো কাইলৈৰপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱটি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হ'ব। স্মৰ্তব্য যে ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে বছৰ বছৰ ধৰি পালিত হৈ অহা বৰদোৱাৰ এই বিখ্যাত দৌলযাত্ৰা মহোৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা অহা হাজাৰ হাজাৰ দৰ্শনাৰ্থী তথা ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতিৰে বিৰ দি বাট নোপোৱা পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ লগতে থান প্ৰাংগণ সমন্বয় ক্ষেত্ৰত পৰিণত হৈ পৰে। তদনুযায়ী মহাপুৰুষজনাৰ কৰ্মৰাজি আৰু আদৰ্শৰে অনুপ্ৰাণিত বৰদোৱাবাসীৰ লগতে ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ লোকসকলৰ মাজত উৎসৱটিক লৈ ব্যস্ততাৰ সীমা নাথাকে । এইবাৰো পুৰণি দিনবোৰৰ সোঁৱৰণীৰে বৰদোৱাবাসী ৰাইজৰ লগতে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে ভক্তক আদৰিবলৈ আৰু উৎসৱটি সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰিবৰ বাবে মাহজোৰা ব্যাপক প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। ইয়াৰ অংশহিচাপে থানলৈ সোমোৱা পথবোৰত কেইবাখনো সুন্দৰ আদৰণি তোৰণ নিৰ্মাণ কৰাৰ উপৰি দূৰণীবটীয়া তীৰ্থযাত্ৰীসকল থাকিবৰ বাবে কেইবাটাও ঘৰ সাজু কৰি ৰাখিছে। তদুপৰি দৰ্শনাৰ্থীক আকৰ্ষণ কৰিবৰ কাৰণে থানৰ চৌপাশ চাফ-চিকুণ কৰি আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। থান পৰিচালনা সমিতিয়ে যুগুত কৰা কাৰ্যসূচী অনুসৰি কাইলৈ প্ৰথম দিনা পুৱা ৪.৩০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ থানত নিত্য-নৈমিত্তিক প্ৰসংগ, ৬.৩০ বজাৰ পৰা খোল আৰু নাম-প্ৰসংগৰ অন্তত গায়ন-বায়নৰ দ্বাৰা শ্ৰীকৃষ্ণৰ মূৰ্তিভাগ কীৰ্ত্তন ঘৰৰপৰা উলিয়াই আনি ৰভাতলত স্থাপন আৰু গায়ন-বায়নৰ দ্বাৰা ৰাম ধেমালি পৰিৱেশনেৰে গন্ধ পূজা সম্পাদন কৰা হ'ব। দ্বিতীয় দিনা পুৱাৰ ভাগত থানত নিত্য-নৈমিত্তিক প্ৰসংগ সম্পন্ন হোৱাৰ পিছতে বিয়লি ২ বজাত গায়ন-বায়নৰ ন-ধেমালি গীত পৰিৱেশনৰ মাজেৰে গোঁসাই পূজাৰ অন্তত ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে গোঁসাইৰ মূৰত ফাকু দিয়া উৎসৱ পালন কৰা হ'ব। তৃতীয় দিনা পুৱা ৪ বজাৰপৰা আৰম্ভ হোৱা নিত্য-নৈমিত্তিক প্ৰসংগ অন্ত পৰাৰ পিছতে বিয়লি ২ বজাত গোঁসাইক সু-সজ্জিত আসনত বহুৱাই ৰভাতলৰপৰা দোলা ৰথত ফুৰাবলৈ নিয়া উৎসৱ পালন কৰা হ'ব। দণ্ড, ভেৰুৱা, চত্ৰ, কালী, শংখ আদিৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানেৰে ফাকু ছটিয়াই গোবিন্দ গোঁসাইক ফুৰাবলৈ নিয়া হয়। বিৰাট আনন্দ-উল্লাসৰ মাজেৰে গোঁসাইক লৈ গায়ন-বায়ন, ভকত-বৈষ্ণৱ সমন্বিতে দৌলমন্দিৰলৈ যাত্ৰা আৰু ৰং-ৰহইচৰ সংমিশ্ৰণেৰে দৌলমন্দিৰৰ চৌদিশ প্ৰদক্ষিণ কৰাৰ পিছত আনুষংগিক ধৰ্মীয় আচাৰ আৰু নীতি-নিয়ম পালনেৰে বটদ্ৰৱা থানৰ এলেকাভুক্ত বৰহিচা, সৰুহিচা আৰু বৰভেটি গাঁৱত ভ্ৰমণ কৰোৱা হয়। এই ভ্ৰমণ কালত গোবিন্দ গোঁসাইক শ্ৰীশ্ৰী নৰোৱা আৰু শ্ৰীশ্ৰী শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ দুগৰাকীৰ লগতে ডেকা গোঁসাইসকলৰ গৃহত প্ৰৱেশ কৰোৱা আৰু সেৱা-অৰ্চনা জনোৱা হয়। সন্ধিয়া গোঁসাইৰ প্ৰত্যাৱৰ্তন আৰু কীৰ্ত্তন ঘৰৰ সিংহ দ্বাৰেদি পৰম্পৰাগত দুৱাৰ ধৰা অনুষ্ঠানৰ দ্বাৰা কীৰ্ত্তন ঘৰত প্ৰৱেশ কৰোৱাৰ পিছতে গোঁসাই ফুৰোৱা উৎসৱৰ সামৰণি পৰিব। ইফালে, দৌলযাত্ৰা মহোৎসৱৰ চতুৰ্থ আৰু পঞ্চম দিনা থান পৰিচালনা সমিতিয়ে বিস্তৃত এলেকা সামৰি দৰ্শনাৰ্থীৰ মনোৰঞ্জনৰ নিমিত্তে ব্যৱস্থা কৰা আকৰ্ষণীয় ৰঙৰ হাট অবিৰতভাৱে চলি থকাৰ লগতে তীৰ্থযাত্ৰীসকলৰ থান সেৱা কাৰ্যও অব্যাহত থাকিব। তদুপৰি, দৌলযাত্ৰা উৎসৱৰ লগত সংগতি ৰাখি ১৪, ১৫ আৰু ১৬ মাৰ্চৰ নিশা আকাশী গংগাৰ পাৰৰ আই খেৰসূতি সাংস্কৃতিক মঞ্চত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। এই তিনিও নিশাতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰপৰা আমন্ত্ৰিত শিল্পীদলৰ দ্বাৰা সত্ৰীয়া নৃত্যানুষ্ঠান, হোলী নৃত্য, বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল নৃত্যানুষ্ঠান, লোকনৃত্য, লোকসংগীত, বৰগীত, শাস্ত্ৰীয় নৃত্য, দিহানাম আদি অনুষ্ঠানৰ ব্যৱস্থা কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

৬নং পৃষ্ঠাৰ পৰা...

# সমস্যাক লৈ নিশ্চুপ, বাজেটক লৈ সৰৱ

কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই কয় যে, এইবাৰৰ বাজেটখন উল্লেখযোগ্য বাজেট, যিখন তৃণমূল পৰ্য্যায়ৰ পৰা ধনী, দুখীয়া সকলো শ্ৰেণী মানুহক সামৰি তৈয়াৰ কৰা হৈছে। আমি কলিয়াবৰ জিলা সমিতিয়ে বাজেটখনক লৈ সন্তোষ প্ৰকাশ কৰিছো আৰু এই বাজেটে বিকশিত অসমৰ পৰিকল্পনা তৈয়াৰ কৰিছে। বাজেটখনে ৰেচন কাৰ্ডৰ জৰিয়তে সুবিধা প্ৰদান কৰিছে। স্নাতক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক ২৫ শ টকাৰ মাননি দি উচ্চ শিক্ষাৰ সুবিধা প্ৰদান কৰিছে যাতে আৰ্থিক অনাটনে কঢ়িয়াই অনা হতাশা দূৰ কৰি শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ ব্যৱস্থা কৰিছে। চাহ বাগানৰ শ্ৰমিকসকলক এককালীন সাহাৰ্য্য ৫ হাজাৰ টকাকৈ দিয়াৰ কথা উল্লেখ থকাৰ লগতে অৰুণোদয় আঁচনিত ৩৭ লাখলৈ বৃদ্ধি কৰিছে। ৩০ লাখ আত্মসহায়ক গোটক দুই লাখকৈ টকা দিয়া, উদ্যোগ নীতিত অমূল পৰিৱৰ্তন অনা, কৃষি উৎপাদিত সামগ্ৰীত অধিক মূল্য নিৰ্দ্ধাৰণ কৰি কৃষকৰ বাবে সুবিধা প্ৰদান কৰা, কিতাপ বৰ্ষ পালনেৰে কিতাপ কিনিবলৈ সাহিত্যিকসকলক ২৫ হাজাৰকৈ টকা দিয়া, ছেটেলাইট স্থাপন কৰি নিৰীক্ষণ প্ৰচেষ্টা কৰা আদি যোগাত্মক সুবিধাবোৰ এইবাৰৰ বাজেটত উল্লেখ কৰা হৈছে। এইবাৰৰ বাজেটত নগাঁও জিলা পিছ পৰি ৰোৱা বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত সভাপতিগৰাকীয়ে কয় যে, নগাঁও আৰু কলিয়াবৰ জিলাৰ বাবে বিশেষকৈ কামপুৰ চেনীকল আৰু বৃহৎ এয়াৰপৰ্ট নিৰ্মাণ কৰাৰ কথাই সুখবৰ কঢ়িয়াই আনিছে। অলপদিন অপেক্ষা কৰিলেই বাজেট অধিৱেশনৰ পাছতে সকলো জানিব পৰা যাব। আনহাতে, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে বঢ়মপুৰত সঘনে সংঘটিত হোৱা হাতী আৰু মানুহৰ সংঘাত দূৰীকৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ প্ৰশ্ন উত্থাপন নকৰা বুলি সংবাদমেলত প্ৰশ্ন উত্থাপন কৰাৰ পাছতো সভাপতিগৰাকীয়ে কৌশলেৰে উত্তৰ দিয়াৰ পৰা বিৰত থকা পৰিলক্ষিত হয়। আজিৰ সংবাদমেল খনত কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি বিৰাজ নন্দী, সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী প্ৰমুখ্য বিজেপি দলৰ কেইবাজনো নেতা-কৰ্মী উপস্থিত থাকে।

৬নং পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীয়ে ফিটা কাটি উদ্বোধন কৰা

সমষ্টিত উপস্থিত হৈছিল। শান্তিপুৰস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এক বিশাল জনসভাত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডুমডুমা সমষ্টিৰ কেবাহাজাৰ লোকক ভূমি পট্টা প্ৰদান কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে আন কেইবাটাও নতুন প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস স্থাপন কৰিছিল। বিকাশৰ বাবে এদিন, ডুমডুমাত বিকাশৰ নতুন জোৱাৰ শ্লোগানেৰে তিনিচুকীয়া জিলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ উপস্থিতিত PM- ABHIM, ২০২১-২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (অসম) ৰ অধীনত ৰূপায়ণ কৰা তথা ৪৮,৩৮,৭৯০/- টকাৰ ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিৰ শুভ উদ্বোধন কৰা আজি প্ৰায় এবছৰ অতিক্ৰম হোৱাৰ পাছতো বৃহত্তৰ ঔগুৰি অঞ্চলৰ ৰাইজে উপ-স্বাস্থ্যকেন্দ্ৰটিৰ পৰা চিকিৎসা সেৱা লাভ নকৰিলে। বগা হাতীলৈ পৰ্যবসিত হোৱা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিত এবছৰে চৰকাৰে চিকিৎসক নিযুক্তি দিবলৈ অসমৰ্থ হোৱাৰ বিষয়টোক লৈ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ২০২৩ বৰ্ষৰ ১৩ মে' ত স্থানীয় বিধায়ক তথা সম্প্ৰতি অসম চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালাই আধাৰশিলা স্থাপন কৰা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটি ৬ মাহতেই মাকুমৰ কল্যাণ চেতিয়া নামৰ ঠিকাদাৰগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ কৰি উলিয়ায় যদিও আজি এটা বছৰে জিলা স্বাস্থ্য বিভাগৰ তথা চৰকাৰে এগৰাকী সামূহিক চিকিৎসা বিষয়া (CHO) ক নিযুক্তি দিয়াত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত এটা বছৰে কেন্দ্ৰটিত ২৪ ঘণ্টাই ওলমি আছে এটি বৃহৎ তলা। চৰকাৰৰ সংশ্লিষ্ট বিভাগে কেন্দ্ৰটিৰ বাবে প্ৰয়োজনীয় আচবাব, চিকিৎসা সঁজুলি, একাংশ যন্ত্ৰপাতি আদিৰ ব্যৱস্থা কৰিলে যদিও এতিয়াও কেন্দ্ৰটিত অভাৱ কেতবোৰ আনুষঙ্গিক সামগ্ৰী তথা সঁজুলিৰ। লগতে বাৰুকৈয়ে অভাৱ কেন্দ্ৰটিৰ চৌহদৰ পকী বেৰৰ। দুই মহলীয়া কেন্দ্ৰটিৰ তলৰ মহলাত ৰেলনেছ ৰুম, পষ্ট ডেলিভাৰী, প্ৰি ডেলিভাৰী ৱাৰ্ড, পৰীক্ষাগাৰ, টিকাকৰণ কক্ষ, লেবাৰ ৰুম, চিকিৎসকৰ কক্ষ, চিকিৎসক-নাৰ্ছ-ৰোগীৰ বাবে সুকীয়া-সুকীয়াকৈ টয়লেটৰ সুব্যৱস্থা থকা কেন্দ্ৰটিৰ ওপৰ মহলাত CHO গৰাকী থাকিব পৰাকৈ সুব্যৱস্থা থকাৰ পাছতো চৰকাৰে কেন্দ্ৰটিৰ বাবে এগৰাকী চিকিৎসকক নিযুক্তি দিব নোৱাৰাটো চৰকাৰৰ চৰম ব্যৰ্থতা বুলিব পাৰি। গুৰুত্বপূৰ্ণ কথা এয়ে যে, ২০২৩ বৰ্ষৰ জুন মাহতে চৰকাৰে গুৱাহাটীৰ জয়প্ৰকাশ বৰ্মন নামৰ এগৰাকীক MPW হিচাপে নিযুক্তি দিছিল যদিওঁ ৰূপাইৰ বিষ্ণু নগৰত ১৯৯২ চনৰ পৰাই এগৰাকী আশা কৰ্মীৰ উৰুখা পজাঁতেই চলি অহা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত যোগদান কৰে যদিওঁ যোগদানৰ দুদিনমানৰ পাছতেই গুৱাহাটীলৈ বদলি হৈ গুচি যায়। বছৰ বছৰ ধৰি উৰুখা পজাঁতেই চলি অহা কেন্দ্ৰটি এতিয়াও আশা কৰ্মীগৰাকীৰ ঘৰতেই চলি আহিছে যদিওঁ চিকিৎসকৰ অভাৱত নতুনকৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা স্থানত আজি এটা বছৰে কেন্দ্ৰটি আৰম্ভ কৰিব নোৱাৰা কাৰ্য্যই ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ ফোপোলা স্বৰূপটোক হে উদঙাই দিছে। কেন্দ্ৰটিৰ এনে দুৰ্দশাৰ সন্দৰ্ভত এই প্ৰতিবেদকে কাকতত ফটোসহ সবিস্তাৰে বাতৰি প্ৰকাশ কৰাৰ পিছত যোৱা ২৭ জানুৱাৰীত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা এক নিৰ্দেশনা জাৰী কৰে। উক্ত নিৰ্দেশনা অনুসৰি, তিনিচুকীয়া জিলাৰ মাইজান আয়ুষ্মান আৰোগ্য মন্দিৰৰ সামূহিক স্বাস্থ্য বিষয়া (CHO) ডা: মৃন্ময় চাহুৰে পৰৱৰ্তী নিৰ্দেশনা নহা পৰ্য্যন্ত সপ্তাহৰ তিনিটা দিন (সোম, বুধ আৰু শুক্ৰবাৰ) ত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত চিকিৎসা সেৱা প্ৰদান কৰিব। কিন্তু,পৰিতাপৰ কথা এয়ে যে, চিকিৎসক ডাঃ চাহুৰে উক্ত নিৰ্দেশনাৰ পিছতে এদিন কেন্দ্ৰটোলৈ আহি পৰিদৰ্শন কৰি যোৱাৰ বাহিৰে এদিনো সেৱা নবঢ়োৱাত এতিয়া একপ্ৰকাৰ অনিশ্চয়তাৰ দিশে গতি কৰিছে কেন্দ্ৰটি। এটা মাহ অতিক্ৰম কৰাৰ পাছতো চিকিৎসকগৰাকীয়ে কেন্দ্ৰটিত যোগদান নকৰাত এতিয়া বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। স্বাস্থ্য বিভাগৰ তৰফৰ পৰা জানিব পৰা মতে, চৰকাৰে ৰাজ্যত নতুন চিকিৎসক নিযুক্তি নিদিয়াৰ পৰ্য্যন্ত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত চিকিৎসক উপলব্ধ নহ'ব, যিটো সঁচাই পৰিতাপৰ বিষয়। এই স্বাস্থ্যকেন্দ্ৰটো এতিয়া আছে গৰু, নাবাই হাল, হোৱাতকৈ নোহোৱাই ভালৰ দৰে হৈ পৰিছে। যাৰ বাবে এতিয়া প্ৰশ্ন উত্থাপন হৈছে, হাতীলৈ পৰিণত হোৱা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিলৈ ৰাজ্যখনৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মনত পৰিবনে?

৬নং পৃষ্ঠাৰ পৰা...

# গুজৰাটত কৰ্মৰত কলগাছিয়াৰ যুৱক

বিগত চাৰি বছৰ ধৰি বিদেশত কৰ্মৰত যদিও প্ৰায় এমাহ ধৰি মহিবুল ইছলাম আৰু তাৰ সৰু ভাতৃয়ে গুজৰাটৰ তাজপুৰ ৰোড, চন্দৰত মেজ গ্ৰাফিক্স নামৰ এটা ৰঙৰ কোম্পানীত কৰ্মৰত হৈ আছে। চলিত মাহৰ ৬ তাৰিখ অৰ্থাৎ বৃহস্পতিবাৰে বিহাৰৰ দুই যুৱকৰ সৈতে কোম্পানীৰ কৰ্মৰপৰা ওলাই মহিবুল ইছলামে নিজৰ ভাৰাঘৰলৈ গৈ থাকোতে হঠাৎ নোহোৱা হয় বুলি সৰু ভাতৃয়ে ফোনযোগে অৱগত কৰে। ইফালে, মহিবুল ইছলাম নিৰুদ্দেশ হোৱাৰ পিছৰেপৰাই ৰহস্যজনকভাৱে বিহাৰৰ দুই যুৱক কোম্পানীৰপৰা পলায়ন কৰিছে বুলি জানিবলৈ দিয়ে সৰু ভাতৃয়ে। নিৰুদ্দেশ হোৱা দিনৰপৰাই মহিবুল ইছলামৰ মোবাইল ফোনৰ ছুইচ বন্ধ আছিল যদিও যোৱা দুদিন ধৰি ফোনৰ ছুইচ অন কৰিছে যদিও কাৰো ফোন ধৰা নাই বুলি জানিবলৈ দিয়ে পিতৃয়ে। যাক লৈ পৰিয়ালৰ মাজত এক আতংকৰ সৃষ্টি হৈছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত থানাত এজাহাৰ দাখিল কৰিছে যদিও যুৱকজন কোনো দুষ্ট-চক্ৰৰ কবলত পৰাৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালে। ইফালে, পৰিয়ালৰ লগতে পিতৃ-মাতৃয়ে পুত্ৰৰ সন্ধান নাপাই কান্দোনত ভাঙি পৰিছে। সেয়ে পৰিয়ালৰ লোকে মহিবুল ইছলামক উদ্ধাৰ কৰাৰ বাবে অসম চৰকাৰৰ লগতে ভাৰত চৰকাৰক সংবাদ মাধ্যমৰ জৰিয়তে কাতৰ আহ্বান জনায়। লগতে যুৱকজনৰ যদি কোনো লোকে সন্ধান পাই তেন্তে ওচৰৰ আৰক্ষী থানা নাইবা 6001911726 আৰু 9365787352 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# শ্ৰমিকক অপহৰণ কৰি ইটা ভাটাৰ

পেলাই থৈ যোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শ্ৰমিকজন দেৰতৰ হাসদহ ষষ্ঠ খণ্ড গাঁৱৰ নুৰ ইছলাম। একে গাঁৱৰ ইটা ভাটাৰ মালিক তথা সমবায় সমিতিৰ এজেণ্ট ৰহিমুল হক প্ৰধানী(ৰাহুল)য়ে দহ মাৰ্চৰ সন্ধিয়া সুলভ মূল্যৰ চাউল সংগ্ৰহৰ ফিংগাৰ প্ৰিণ্ট দিয়াৰ উদ্দেশ্যে বতুৰাতলিৰ এছ বি আই ইটা ভাটাৰ সন্মুখলৈ মাতি নিয়ে। তাৰ পিছৰ পৰাই পৰিয়ালৰ লোকে কোনো সন্ধান বিচাৰি নাপায় নুৰ ইছলামৰ। অপহৰণ কৰি নিয়াৰ পিছতে ৰাহুলৰ সহযোগী চিৰাজুলক ফোন কৰি পুত্ৰ আব্দুল জালালৰ পৰা ডেৰ লাখ টকা মুক্তিপণ দাবী কৰে। উপায়ন্তৰ হৈ ঘটনা সন্দৰ্ভত ইছলামৰ পুত্ৰ আব্দুল জালাল ৰহিমুল হক প্ৰধানী (ৰাহুল) আৰু চিৰাজুল হক প্ৰধানীৰ বিৰুদ্ধে বালাজান আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। ঘটনাটোত এটা ইটা ভাটাৰ মালিক প্ৰত্যক্ষভাৱে জড়িত থকাৰ লগতে ঘটনাটোও সংঘটিত হয় এটা নিৰ্দিষ্ট ইটা ভাটাৰ সন্মুখত। কাৰ্যতঃ ধনৱান, প্ৰভাৱশালী ব্যক্তি ঘটনাটোত জড়িত হৈ পৰাত ৰহস্যজনকভাৱে এজাহাৰক গুৰুত্ব আৰোপ কৰাৰ পৰা বিৰত থাকে আৰক্ষী বিষয়া ৰিদিপ ৰায়। অভিযোগ মতে, ৰাহুল আৰু চিৰাজুলে দাবী কৰা ধন নাপাই নুৰ ইছলামৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায়। মাৰপিট কৰাৰ লগতে শৰীৰৰ বিভিন্ন অংশত জুই লগাই জ্বলাই গুৰুতৰভাৱে আহত কৰি অচেতন অৱস্থাত কালি সন্ধিয়া পথৰ কাষত পেলাই থৈ যায় নুৰ ইছলামক। স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বালাজান আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে নুৰ ইছলামক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰে। বৰ্তমানো ভুক্তভোগী চিকিৎসাধীন যদিও আৰক্ষীৰ নমনীয় ভূমিকাই ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছতহে আৰক্ষীয়ে এজাহাৰ পঞ্জীয়ন কৰি দায়িত্ব সামৰাৰো অভিযোগ উত্থাপিত হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# সাৱধান! হোলীৰ বতৰত বজাৰ ভৰিছে

ব্যাপক হৰ্ষ-উল্লাসৰ মাজেৰে দেহ-প্ৰাণ মতলীয়া কৰি তোলা এই উৎসৱটি পালন কৰিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই থকাৰ বিপৰীতে বিভিন্ন প্ৰকাৰৰ ৰং-বিৰঙৰ আবিৰেৰে ভৰি পৰিছে বজাৰ। ইয়াৰ সমান্তৰালকৈ হৰেক ৰকমৰ ফিচকাৰী, নানা আকাৰৰ ৰং-চঙীয়া মুখা, টুপী আদি সামগ্ৰীবোৰো বিপনীবোৰত উপচি পৰিছে। কিন্তু ইয়াৰ অচিলা লৈ একাংশ অসাধু ব্যৱসায়ীয়ে ৰাইজৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি সস্তীয়া ফাকুগুড়ি বজাৰত বিক্ৰীৰ বাবে মেলি দিয়াৰ গুৰুত্বৰ অভিযোগ উঠিছে। অভিযোগ মতে, এইবোৰ সস্তীয়া ফাকুগুড়িৰ পেকেটত কোনো দাম লিপিবদ্ধ হৈ নাথাকে। আনকি বজাৰত এইবোৰৰ দামৰো যথেষ্ট তাৰতম্য দেখিবলৈ পোৱা যায়। কিয়নো ফাকুগুড়িৰ দৰে বিভিন্ন ৰঙৰ বটল কিম্বা ফিচকাৰী আদিত কোনো দামৰ উল্লেখ নথকাত বিক্ৰেতাই ইচ্ছামতে যি দাম লয় সেয়াই একপ্ৰকাৰে মূল দাম হৈ পৰে। জানিব পৰা মতে, এই ধৰণৰ দাম লিখা নথকা সস্তীয়া ফাকুৰ গুড়িয়ে মানৰ দেহত অপকাৰ সাধন কৰি জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পাৰে। অভিযোগ মতে, গ্ৰাহকক সহজে আকৰ্ষিত কৰিবলৈ এচাম মুনাফালোভী অসৎ চৰিত্ৰৰ ব্যৱসায়ীয়ে বিভিন্ন প্ৰকাৰৰ শৰীৰৰ অনিষ্টকাৰী 'কেমিকেল' ব্যৱহাৰ কৰি বিক্ৰীৰ বাবে বজাৰত এৰি দিছে। ইফালে, প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানে প্ৰস্তুত কৰা আবিৰৰ তুলনাত সস্তীয়া আবিৰৰ দাম যথেষ্ট কম। গতিকে গুণাগুণ বিচাৰ নকৰি কম দামত পোৱা আবিৰ বা ফাকুৰ গুড়িকে গ্ৰাহকে ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে এইচাম অসাধু সুবিধাবাদী ব্যৱসায়ীয়ে। চিকিৎসকৰ এক সূত্ৰৰ মতে, ফাকুগুড়িত মিহলোৱা অতি বিষাক্ত ৰাসায়নিক দ্ৰব্যবোৰে চকু, নাক, কাণ, ছাল, চুলি আদিত ক্ৰিয়া কৰি নানা মাৰাত্মক ৰোগৰ উদ্ভৱ ঘটাব পাৰে। ঘাইকৈ এনে ধৰণৰ ফাকুৰ গুড়ি নাকেৰে সোমাই গ'লে শ্বাসকেন্দ্ৰৰ ক্ষতিসাধন কৰাৰ উপৰি উশাহ-নিশাহৰ বেলিকা বহু পৰিমাণে সমস্যাৰ সৃষ্টি কৰিব পাৰে। গতিকে, অবাধে কম মূল্যত বিক্ৰী হৈ থকা সস্তীয়া আবিৰৰ বিক্ৰী ৰোধ কৰি ৰাইজক আহিব পৰা সম্ভাব্য বিপদৰ পৰা উদ্ধাৰৰ ক্ষেত্ৰত প্ৰশাসনক কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ সচেতন মহলে অনুৰোধ জনাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# কিতাপ, বহী এৰি ব্যৱসায়ত ছাত্ৰ-ছাত্ৰী

প্ৰদৰ্শনীৰ। মেলাখনত থলুৱা শাক-পাচলি, ঘৰতে প্ৰস্তুত কৰা খাদ্য সামগ্ৰী, খাঁটি সঁৰিয়হৰ তেল, কেঁচু সাৰ, পানী টেঙা, শুকতি, পুতলা, সাজ-পোচাক, আচাৰ, গছ পুলি আদি বিভিন্ন সামগ্ৰীৰ বেচা-কিনা চলে মহাবিদ্যালয়ৰ চৌহদত। প্ৰথমবাৰলৈ অনুষ্ঠিত হোৱা এই বাণিজ্য মেলাত অধ্যাপক-অধ্যাপিকাসকলেও ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ জনায়। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কিছু সাধাৰণ গ্ৰাহকে সামগ্ৰীসমূহ ক্ৰয় কৰা পৰিলক্ষিত হয়। মেলাত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত হোৱা দেখা যায়। অনাগত দিনত বৰ্ষটোত এটাকৈ বাণিজ্য মেলা আয়োজন কৰিবলৈ ছাত্ৰ-ছাত্ৰী আৰু ডি ডি আৰ মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰয়াস কৰিব বুলি অধ্যক্ষ ড০ প্ৰদীপ বৰাই জানিবলৈ দিয়ে।

# প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিত ব্যাপক অনিয়ম, খণ্ড বিষয়ালৈ স্মাৰকপত্ৰ

**ই-সংবাদ, মোৰাঝাৰ, ১২ মাৰ্চঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা ঘৰৰ ক্ৰমিক নম্বৰ সলনি সন্দৰ্ভত বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়ালৈ স্মাৰকপত্ৰ প্ৰদান কৰে বিন্নাকান্দি কংগ্ৰেছে। স্মাৰকপত্ৰত উল্লেখ কৰা অনুসৰি বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত বিন্নাকান্দি সমষ্টিৰ প্ৰতিখন পঞ্চায়তত সম্প্ৰতি প্ৰকাশ পোৱা প্ৰধানমন্ত্ৰী আৱাস যোজনা ঘৰৰ, ক্ৰমিক নম্বৰ (Serial break) সলনি কৰাৰ অপচেষ্টা চলোৱাৰ অভিযোগ উত্থাপন হৈছে আৰু ইয়াকে কেন্দ্ৰ কৰি প্ৰতিখন পঞ্চায়তৰ হিতাধিকাৰীসকলে অস্বস্তি বোধ কৰিছে। ইতিমধ্যে প্ৰকাশ পোৱা PMY ঘৰৰ তালিকাৰ প্ৰতিখন গাঁও সভাই অনুমোদন জনোৱা অনুসৰি হিতাধিকাৰীসকলে ক্ৰমিক নং অনুসৰি ক্ৰমান্বয়ে লাভ কৰিব লাগে। অন্যথা বিন্নাকান্দি ব্লক কংগ্ৰেছ কমিটীয়ে ইয়াৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে পৰৱৰ্তী সময়ত আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি সকীয়াই দি বিন্নাকান্দি ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি আব্দুল হান্নানৰ নেতৃত্বত যোৱা কংগ্ৰেছৰ সঁজাতি দলে স্মাৰকপত্ৰ প্ৰদান কৰে।

### চকুমুদা কুলিৰ ভাও স্থানীয় বন বিভাগৰ

# কামৰূপত অব্যাহত পাহাৰ, নদীৰ অবৈধ খনন

**ই-সংবাদ, হাজো, ১২ মাৰ্চঃ** কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে অবাধ হাৰত চলি আহিছে পাহাৰ খনন, নদী খনন। বিশেষকৈ আজ্ঞাঠুৰী, শুৱালকুছি, গন্ধমৌ, হাজো অঞ্চলৰ প্ৰতিখন নৈত দেখিবলৈ পোৱা গৈছে ট্ৰেক্টৰ, জেচিবি, ডাম্পাৰৰ অবাধ খনন। কামৰূপ জিলা প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাই নিৰন্তৰে চলাই গৈছে এই অবৈধ বেহা। দিন-ৰাতি এক কৰি নদীৰ বুকু উদং কৰাত লাগি গৈছে একাংশ বালি মাফিয়া। নাই কোনো ধৰণৰ নীতি-নিয়ম। তীব্ৰ গতিত ৰাজপথেৰে গতি কৰিছে ইখনৰ পিছত আনখন ডাম্পাৰ, টেক্টৰে। যাৰ বাবে প্ৰতিদিনে সংঘটিত হৈ আহিছে এটাৰ পিছত এটা দুৰ্ঘটনা। আৰু এই সকলো দেখি শুনি চকু মুদা কুলিৰ ভাওত কামৰূপ জিলা বন বিভাগ, প্ৰশাসন। কিয় এইসকল বালি মাফিয়াৰ বিৰুদ্ধে মৌন বন বিভাগ কিম্বা প্ৰশাসন। এই সন্দৰ্ভত আজি কামৰূপ জিলা ছাত্ৰ সন্থাই জিলা আয়ুক্তগৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰি এই অবৈধ নদী, পাহাৰ খননৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

# মঙলদৈত জিলা শিশু সুৰক্ষা গোটৰ সাংবাদিকৰ সৈতে বাৰ্তালাপ

**ই-সংবাদ, মঙলদৈ, ১২ মাৰ্চঃ** জিলা শিশু সুৰক্ষা গোট দৰঙৰ উদ্যোগত আৰু ৰাজ্যিক শিশু সুৰক্ষা সমিতি অসমৰ সহযোগত শিশু সুৰক্ষা আৰু অধিকাৰ সম্পৰ্কত কালি মঙলদৈ ইউথ ক্লাবত সাংবাদিকৰ সৈতে এক বাৰ্তালাপ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই বাৰ্তালাপ অনুষ্ঠানত মঙলদৈৰ কেবাগৰাকীও সাংবাদিকৰ উপস্থিতিত শিশুসকলৰ সুৰক্ষা আৰু অধিকাৰৰ ওপৰত বিযদভাৱে আলোচনা কৰা হয়। অনুষ্ঠানত জিলা শিশু সুৰক্ষা গোটৰ অধ্যক্ষ বুধিন চন্দ্ৰ হাজৰিকা, জিলা শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়া, অপ্ৰতিষ্ঠানীয় যত্ন আৰু সুৰক্ষা কৰ্মী কনকলতা বৰুৱা, আইন আৰু আবেক্ষণ বিষয়া ড০ বনশ্ৰী সৰস্বতী, শিশু ন্যায় পৰিষদৰ সদস্য দীপশিখা শৰ্মা, স্থানীয় কস্তুৰি শিশু গৃহৰ অধীক্ষক ৰশ্মি ৰেখা শৰ্মা, বিভাগৰ সমাজকৰ্মী দুলাল ডেকা, সমন্বয়ক চিন্ময় শৰ্মাৰ লগতে দৰং জিলা শিশু সুৰক্ষা সমিতিৰ বিষয়ববীয়া-কৰ্মচাৰী উপস্থিত থাকে। মূলতঃ শিশু শ্ৰমিক, বাল্য বিবাহ, শিশু নিৰ্যাতন আদিৰ আইন সম্পৰ্কীয় বিষয়ৰ ওপৰত আলোচনা কৰাৰ লগতে শিশুৰ অধিকাৰৰ ওপৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয় উক্ত বাৰ্তালাপ অনুষ্ঠানত।

# নগাঁৱত 'স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন'ৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১২ মাৰ্চঃ** অসমৰ বিভিন্ন প্ৰান্তৰ একাংশ কবি, লেখক, সাহিত্যিক তথা সাহিত্যানুৰাগীক লৈ জনপ্ৰিয় ছ'চিয়েল নেটৱৰ্কিং ছাইট ফেচবুকত ২০২৪ চনত জন্ম লাভ কৰা সাহিত্য চৰ্চাৰ মঞ্চ 'স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন, অসমৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানটি অহা ১৫ আৰু ১৬ মাৰ্চত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদযাপনৰ দিহা কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা অসম ভিত্তি নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যুৱ ব্যৱসায়ী উৎপল বনিয়াই উদ্বোধন কৰিবলগীয়া প্ৰতিযোগিতাখনিত ৪৫০১ টকাৰ পৰা ৫০১ টকালৈকে মুঠ দহটা আকৰ্ষণীয় পুৰস্কাৰ আৰু নিচুকনি বঁটা প্ৰদান কৰা হ'ব। দ্বিতীয় দিনা পুৱাৰ ভাগত মঞ্চৰ সভাপতি প্ৰণৱ দাসে পতাকা উত্তোলন কৰাৰ পিছতে মঞ্চৰ উপ-সভানেত্ৰী বুলবুল শৰ্মাই বৃক্ষৰোপণ আৰু মনোৰঞ্জন ডেকাই স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰিব। স্মৃতি তৰ্পণ কাৰ্যসূচীত ভাল ল'ব সত্ৰাধিকাৰ ড০ জগন্নাথ দেৱ মহন্তই। ইয়াৰ পিছতে সতীৰ্থ মিলন আৰু চিনাকি পৰ্বৰ অন্তত দুপৰীয়া সম্বৰ্ধনা, গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠানৰ লগতে ন-পুৰণি কবি, সাহিত্যিকক সন্মান প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত মানৱদৰদী, দুখীয়াৰ বন্ধু মিষ্টাৰ বিতুক 'স্ৰোতস্বিনীৰ দীনবন্ধু বঁটা-২০২৫' আৰু কলা শিল্পৰে মোহনীয় জেউতি সিঁচা অসম ধৰাৰ কন্যা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন অভিনয় জেউতি প্ৰজ্ঞাশ্ৰী হাজৰিকালৈ স্ৰোতস্বিনীৰ বৰ্ষশ্ৰেষ্ঠ 'নাট্য তৰংগিনী বঁটা-২০২৫' প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, লেখক ৰেৱত কুমাৰ হাজৰিকা, ঔপন্যাসিক প্ৰভাত গোস্বামী, বিশিষ্ট বিজ্ঞানী ড০ হেমেন হাজৰিকা, সমাজকৰ্মী গোবিন্দ মহাপুৰুষীয়া, লেখক শোভন কুমাৰ মেধি, লেখিকা নীলিমা শৰ্মা, মীনা শইকীয়া,কবি জাকিৰ হুছেইনকে ধৰি বহু কেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকিব বুলি মঞ্চৰ প্ৰতিষ্ঠাপক দীপ দাসে জানিবলৈ দিছে।

# বৰপেটাৰোডৰ জামতলত ভয়ংকৰ অগ্নিকাণ্ড, তিনিখনকৈ প্ৰতিষ্ঠান ভস্মীভূত

**ই-সংবাদ, বৰপেটাৰোড, ১২ মাৰ্চঃ** বৰপেটাৰোডৰ কাটাঝাৰৰ জামতলত নিশা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। এই অগ্নিকাণ্ডত নিমিযতে জাহ যায় কেবা লক্ষাধিক টকাৰ সা-সামগ্ৰী। বৰপেটাৰোডৰ সমীপৰ কাটাঝাৰ পাথাৰৰ জামতলত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ড। কাটাঝাৰ পথাৰৰ হবিবৰ ৰহমান নামৰ এজন ব্যক্তিৰ গেৰেজ আৰু টায়াৰৰ দোকানৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। বৰপেটাৰোড, সৰভোগৰ পৰা কেবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। ভস্মীভূত হয় তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ প্ৰকাশ কৰে স্থানীয় লোকে। অগ্নিকাণ্ডৰ ফলত মানাহ সংযোগী পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হয় যদিও পৰৱৰ্তী সময়ত বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# দিখৌৰ বুকুত অবৈধ খনন, স্মাৰক পত্ৰ প্ৰদান

**ই-সংবাদ, গেলেকী, ১২ মাৰ্চঃ** শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ অন্তৰ্গত নাজিৰা চানবছা সন্দিকৈ গাঁৱৰ লগতে লাগি থকা দিখৌ নদীত বালি আৰু মাটি অবৈধভাৱে খনন কৰাৰ অভিযোগ আনি শিৱসাগৰ জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ নাজিৰা মহকুমা সমিতিয়ে। আঞ্চলিক সমিতিখনৰ সভাপতি দিগন্ত দাস আৰু সম্পাদক বিপিন দাসৰ স্বাক্ষৰ সম্বলিত স্মাৰকপত্ৰখনত এনে অবৈধ খননে সমগ্ৰ নাজিৰা অঞ্চলটোলৈকে বিপদ কঢ়িয়াই অনাৰ অভিযোগ উত্থাপন কৰিছে। লগতে এনে অবৈধ ধনন অনিৰ্দিষ্টকাললৈকে বন্ধ কৰাৰ দাবী সংগঠনটোৰ।

# দৌল মহোৎসৱৰ বাবে ১৫ মাৰ্চত বৰপেটাত স্থানীয় বন্ধ ঘোষণা

**ই-সংবাদ, বৰপেটাৰোড, ১২ মাৰ্চঃ** বৰপেটাৰ জিলা আয়ুক্ত ৰোহন কুমাৰ ঝায়ে আজি ভগৱান শ্ৰীকৃষ্ণৰ দৌল-যাত্ৰা উৎসৱ পালনৰ বাবে সমগ্ৰ জিলাতে ১৫ মাৰ্চৰ দিনটো স্থানীয় বন্ধৰ দিন হিচাপে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। বৰপেটা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদকে বৰপেটাবাসীৰ হৈ মহোৎসৱৰ মহত্ত্বক স্বীকৃতি দি দাখিল কৰা আবেদনৰ পিছতে এই সিদ্ধান্ত লোৱা হৈছে। জৰুৰীকালীন সেৱা আৰু শিক্ষানুষ্ঠানত চলি থকা যিকোনো পৰীক্ষাৰ বাহিৰে সকলো চৰকাৰী কাৰ্যালয়, আদালত, শিক্ষানুষ্ঠান আৰু বেংকৰ বাবে এই বন্ধ প্ৰযোজ্য হ'ব।

# মানৱ সেৱা মিছন, বিটিআৰত ই-ৰিক্সা বিতৰণ

**ই-সংবাদ, বৰপেটাৰোড, ১২ মাৰ্চঃ** আজি বৰপেটাৰোডৰ সমীপৰ জাখলিপাৰত মঠনগুৰি সমন্বিত বিটিআৰৰ ১৫ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক ই-ৰিক্সা প্ৰদান কৰে বিটিআৰৰ ই এম গৌতম দাসে। মানৱ সেৱা মিছন আঁচনিৰ অধীনত বিশেষভাৱে সক্ষম ব্যক্তিক ই-ৰিক্সা প্ৰদান কৰা হয়। পৰৱৰ্তী সময়ত মানৱ সেৱা মিছনৰ অধীনত ৭০খন বিতৰণ কৰা হ'ব বুলি জনায় বিটিআৰৰ ই এম গৌতম দাসে। গোবৰ্ধনা আইচিডিএছ প্ৰকল্পৰ দ্বাৰা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ পৰা এই ই-ৰিক্সা পৰা প্ৰদান কৰা হয়। ইয়াৰ উপৰি গৌতম দাসে জনায় যে যোৱা যোৱা দুবছৰত ২৮০গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক ই-ৰিক্সা প্ৰদান কৰাৰ লগতে তিনি শ বিশেষভাৱে সক্ষম ব্যক্তিক ৫০ হেজাৰ টকাৰ এককালীন সাহস্য প্ৰদান কৰা হয়। আনহাতে, UDID প্ৰমাণপত্ৰৰ ক্ষেত্ৰত বিটিআৰ চৰকাৰে যোৱা তিন বছৰত ১২ হেজাৰ বিশেষভাৱে সক্ষম ব্যক্তিক এই প্ৰমাণ পত্ৰ প্ৰদান কৰে। এইবেলি পুনৰ ৬ হেজাৰ বিশেষভাৱে সক্ষম ব্যক্তিক এই প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব বুলি জনায় ই এম গৰাকীয়ে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# শ্ৰীশ্ৰীগোপাল আৰু জগন্নাথ থান সত্ৰৰ মহাৰজত জয়ন্তী গৰখীয়া সবাহ মহোৎসৱ

**ই-সংবাদ, তামুলপুৰ, ১২ মাৰ্চঃ** তামুলপুৰ জিলাৰ বৰবালিশিহা আঞ্চলিক মহাপ্ৰভু শ্ৰীশ্ৰীগোপাল আৰু জগন্নাথ থান সত্ৰৰ গৰখীয়া সবাহৰ এইবাৰ মহাৰজত জয়ন্তী অহা ১৪, ১৫ আৰু ১৬ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। উদ্যোক্তাসকলে জনোৱা মতে ১৪ মাৰ্চৰ পুৱা ৮ বজাত সবাহ মহোৎসৱৰ মুখ্যদ্বাৰ উন্মোচনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব উদীয়মান ব্যৱসায়ী অঞ্চল দাসে। ৮.৩০ বজাত কাৰ্যালয় উদ্বোধন কৰিব জন্টি ডেকাই। ইয়াৰ পিছত ভোজনালয়, মন্দিৰৰ মুখ্যদ্বাৰ উন্মোচন, থাপনা স্থাপন, বন্তি প্ৰজ্বলন আৰু ৯.৩০ বজাত মুখ্য ধৰ্মধ্বজা উত্তোলন। ধৰ্মধ্বজা উত্তোলন কৰিব মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক জলেন দৈমাৰীয়ে। ধৰ্মধ্বজা উত্তোলনত তেওঁৰ সহযোগী হিচাপে থাকিব উদযাপন সমিতিৰ বিভিন্ন বিভাগৰ বিষয়ববীয়াৰ লগতে স্থানীয় বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল। ১০.৩০ বজাত স্মৃতি তৰ্পণ। স্মৃতি তৰ্পণ কৰিব মহাৰজত জয়ন্তী উদযাপন সমিতিৰ যুটীয়া সম্পাদক লক্ষী দাসে। পুৱা ১০.৪৫ বজাত বৃক্ষৰোপণ। ১১.৩০ বজাত মূল ৰভা উন্মোচন কৰিব যুৱ সমাজকৰ্মী সোমনাথ বসুমতাৰীয়ে। দুপৰীয়া ১২ স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকাৰ কাৰ্যালয় উদ্বোধন, ১২.৩০ বজাত মঞ্চৰ দ্বাৰ উন্মোচন, ১ বজাত স্বাস্থ্য শিবিৰ উদ্বোধন। বিয়লি ২ বজাত ওজাপালি, ৪ বজাত আয়তীসকলৰ নাম-কীৰ্তন, ৫ বজাত সহস্ৰ বন্তি প্ৰজ্বলন আৰু ৭ বজাত বীৰথ ৰাভা সোঁৱৰণী সাংস্কৃতিক সন্ধ্যা মুকলি কৰিব নাগ্ৰীজুলিৰ বিশিষ্ট সমাজকৰ্মী বিশ্বজিত বসাকে। ১ মাৰ্চৰ পুৱা স্বচ্ছ অভিযান, পুৱা ৮ বজাত গোপাল পূজা, ৯ বজাত ভাগৱত শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰিব বিটিআৰৰ চৰকাৰী মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভায়ে। ১১ বজাত জলেন দৈমাৰীৰ সভাপতিত্বত ধৰ্মালোচনা সভা উদ্বোধন কৰিব বিটিআৰৰ এমচিএলএ প্ৰদীপ কুমাৰ বায়নে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিআৰপ্ৰধান প্ৰমোদ বড়ো আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। মুকলি সভাতেই উদযাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সাহিত্য অকাডেমী যুৱ বঁটাপ্ৰাপক কবি দ্বিজেন কুমাৰ দাসে। মুকলি আৰু ধৰ্মালোচনা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট লেখক ডঃ উপেন ৰাভা হাকাচাম, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নিৰ্দিষ্ট বক্তা হিচাপে মাধৱ ৰাভা, ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি ভবেশ কলিতাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। বিয়লি ৩ বজাত ওজাপালি, সন্ধিয়া ৫.৩০ বজাত সহস্ৰ বন্তি প্ৰজ্বলন, ৭ বজাত সম্বৰ্ধনা অনুষ্ঠান আৰু ৮ বজাত সূৰ্যোদয় নাটঘৰৰ দ্বাৰা নাট প্ৰদৰ্শন উদ্বোধন কৰিব আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, অসম প্ৰান্তৰ সাধাৰণ সম্পাদক দয়াল দাসে। ১৬ মাৰ্চৰ পুৱা পৰিৱেশ নিকাকৰণ, পুৱা ৭ বজাত জগন্নাথ পূজা, ৮ বজাত দিহানাম পৰিৱেশন, ১১ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যা কৰিব ভোলাৰাম দাসে। বিয়লি ২ বজাত ছোৱালীৰ নাগাৰা নাম পৰিৱেশন উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সদস্য অতুল ডেকাই। সন্ধিয়া ৬ বজাত পূজা আৰম্ভ, ৭ বজাত সম্বৰ্ধনা অনুষ্ঠান আৰু সন্ধিয়া ৮ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ৰবীন্দ্ৰ বালা বিশ্বাসে। উদ্যোক্তাসকলে তিনিও দিনৰ সকলো কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# কামৰূপ জিলাত অনুষ্ঠিত দুদিনীয়া কৃষক মেলাৰ সফল সামৰণি

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১২ মাৰ্চঃ** কামৰূপ জিলাৰ কৃষকসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শন, বিপণনৰ লগতে উন্নত কৃষি পদ্ধতি সম্পৰ্কে কৃষকক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদানৰ লক্ষ্যৰে কামৰূপ জিলা কৃষি বিভাগ তথা কামৰূপ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ উদ্যোগত আয়োজিত দুদিনীয়া কৃষক মেলাৰ আজি সামৰণি পৰে। কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয়ৰ চৌহদত আয়োজিত কৃষক মেলাৰ অংশস্বৰূপে আজি সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত এক কৃষক প্ৰশিক্ষণ কাৰ্যসূচী আৰু কৃষকসকলৰ কৃষি বিজ্ঞানীৰে এক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই প্ৰশিক্ষণ তথা মেলাৰ জৰিয়তে কৃষকসকলে আধুনিক কৃষি পৰিচালনা পদ্ধতি সম্পৰ্কে জ্ঞান আহৰণ কৰি উন্নত কৃষিকাৰ্যৰে আৰ্থিকভাৱে লাভান্বিত হ'ব পাৰিব তথা এই খণ্ডত কামৰূপ জিলাক ৰাজ্যখনৰ ভিতৰতে এক অগ্ৰণী জিলা হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। আজি অনুষ্ঠিত কৃষক প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলক আবতৰীয়া শাক-পাচলিৰ খেতিৰ সৈতে জড়িত বিভিন্ন দিশ যেনে- কম খৰচি




পলিগৃহ নিৰ্মাণৰ পদ্ধতি আৰু ইয়াৰ ভিতৰত গোটেই বছৰজুৰি আবতৰীয়া শাক-পাচলিৰ খেতি কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী, এনেধৰণে উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে কৃষি বিভাগৰপৰা উপলব্ধ কৰিবলগীয়া বজাৰ শৃংখল আৰু অন্যান্য সুবিধা সম্পৰ্কে অৱগত কৰা হয়। অনুষ্ঠানত কৃষি বিভাগৰ তৰফৰপৰা পলিগৃহ নিৰ্মাণৰ বাবে কৃষকসকলক প্ৰয়োজনীয় কেইবাবিধো সামগ্ৰী যোগান ধৰা হ'ব বুলি অৱগত কৰাৰ লগতে বছৰটোত কেইবাটাও শস্যক্ৰমৰ অধীনত কিদৰে বিলাহী, কেপচিকাম, তিয়ঁহ, পালেং, ধনিয়া আদি উৎপাদন কৰি কৃষকসকলে তেনে শাক-পাচলি বজাৰত উচ্চ মূল্যত বিক্ৰী কৰিব পাৰিব সেই সম্পৰ্কেও প্ৰশিক্ষণ দিয়া হয়। আজিৰ সভাত কাঁহিকুচিস্থিত উদ্যানশস্য গৱেষণা কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ডঃ শৰৎ শইকীয়া আৰু মহকুমা কৃষি উন্নয়ন বিষয়া গিৰীণ শৰ্মা উপস্থিত থাকে।

# দক্ষিণ কামৰূপৰ জ্যেষ্ঠ সাংবাদিক, কৃতী শিক্ষক বলেন কলিতাৰ দেহাৱসান

## দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ ৭৫ গছি বন্তি প্ৰজ্বলন

**ই-সংবাদ, মিৰ্জা, ১২ মাৰ্চঃ** দক্ষিণ কামৰূপৰ কৃতী শিক্ষক, জ্যেষ্ঠ সাংবাদিক বলেন কলিতাৰ আজি ৭৫ বছৰ বয়সত মৃত্যু হয়। পলাশবাৰীৰ হুদুমপুৰৰ নিবাসী বলেন কলিতাক যোৱানিশা ১০ বজাত উচ্চ ৰক্তচাপজনিত কাৰণত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে তেখেতক মৃত ঘোষণা কৰে। আজি তেখেতৰ বাসগৃহত নশ্বৰ দেহত সাংবাদিকসকলৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দক্ষিণ কামৰূপবাসীয়ে এগৰাকী অভিভাৱকক হেৰুৱাই শোকত মৰ্মাহত হয়। অহা ১৬ মাৰ্চ দেওবাৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজিত আলোচনা-চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানত তেখেতক সম্বৰ্ধনা জনোৱাৰ কথা আছিল। আজি তেখেতৰ বাসভৱনত দক্ষিণ কামৰূপ প্ৰেছ ক্লাব, হুদুমপুৰ ৰাইজ গয়ৰহ, পলাশবাৰী শতদল সাহিত্য সভা, উপৰহালী প্ৰগতিশীল সাহিত্য সভা, পলাশবাৰী ৰাস মহোৎসৱ সমিতি, পলাশবাৰী ৰঙালী বিহু সন্মিলন, ইউ পি মিডিয়া ছাউথ কামৰূপ, পলাশবাৰী ৰাজ্যিক ব্যৱসায়ী পৰিচালনা সমিতি, দক্ষিণ কামৰূপ সাংবাদিক সন্থা, দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থা, মিৰ্জা নাট্যগোষ্ঠী, দক্ষিণ কামৰূপ কবি সমাজ, দক্ষিণ কামৰূপ কলা-সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠী, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, অসম জাতীয় পৰিষদ, কামৰূপ, উপৰহালী ৰাইজ গয়ৰহ, চিলাৰায় ভৱন আদি উপস্থিত থাকি তেখেতক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আনহাতে, আজি উপৰহালীৰ চ'কত অৱস্থিত চিলাৰায় ভৱনত তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে ৭৫ গছি বন্তি প্ৰজ্বলন কৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ, সম্পাদক বিশ্বজিৎ কলিতা, প্ৰতিষ্ঠাপক সম্পাদক অনিল কলিতা, সাংবাদিক পৰিষদ কামৰূপ জিলাৰ তথা দৈনিক জনমভূমিৰ সাংবাদিক দীপক কলিতা, পলাশবাৰী সমষ্টিৰ বিজেপিৰ যুৱনেতা অনুপ কুমাৰ মেধি, অসম জাতীয় যুৱ পৰিষদৰ মদন দাস, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক নিৰোদ দাস উপস্থিত থাকি পুষ্পাঞ্জলি আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী, দুই পুত্ৰ আৰু কন্যাৰ লগতে অনেক গুণমুগ্ধক এৰি যায়।

# তিতাবৰত ভাতৃৰ দাৰ ঘাপত মৃত্যু এজনৰ

**ই-সংবাদ, তিতাবৰ, ১২ মাৰ্চঃ** তিতাবৰৰ ধলি চামগুৰিত ককায়েকৰ দাৰ ঘাপত নিজ ভাতৃয়ে প্ৰাণ হেৰুৱাব লগা হোৱা এক নৃশংস ঘটনাই সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি সন্ধিয়া ধলি চামগুৰিত এক ঘৰুৱা কন্দলৰ পৰিণতিত ককায়েক মণ্টু কৰ্মকাৰে নিজ ভাতৃ পাপ্তে কৰ্মকাৰ (৩৬)ক দাৰে ঘপিয়াই নৃশংসভাৱে হত্যা কৰে। মৃত্যু হোৱা পাপ্তে কৰ্মকাৰ নামৰ যুৱকজনে প্ৰতিদিনে অত্যাধিক সুৰাপান কৰি ঘৰত কাজিয়াৰ সৃষ্টি কৰি আহিছিল। ফলত পাপ্তে কৰ্মকাৰৰ কাণ্ডই পৰিয়ালটোক অতিষ্ঠ কৰি তুলিছিল। কালি সন্ধিয়াও কাজিয়াৰ মাজতে অতিষ্ঠ হৈ মণ্টু কৰ্মকাৰে ভাতৃ পাপ্তে কৰ্মকাৰৰ প্ৰাণ ল'ব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। ঘটনাৰ পিছতে উক্ত এলেকাত তিতাবৰ আৰক্ষী উপস্থিত হৈ মণ্টু কৰ্মকাৰক আটক কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আনহাতে, আজি আৰক্ষীয়ে হত্যাকাৰী মণ্টু কৰ্মকাৰক আদালতত হাজিৰ কৰাই জে'ললৈ প্ৰেৰণ কৰে।

# মঙলদৈ ৰঙালী বিহু সন্মিলনীৰ নতুন সমিতি গঠন

**ই-সংবাদ, মঙলদৈ, ১১ মাৰ্চঃ** ঐতিহ্যমণ্ডিত সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনীয়ে এইবাৰ ৭১ সংখ্যক বৰ্ষটি উদযাপন কৰিব। এই উদ্দেশ্যে সোমবাৰে মঙলদৈ যুথ ক্লাব প্ৰাংগণত মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ সভাপতিত্বত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। ৰাজহুৱা সভাত যোৱা বৰ্ষৰ হিচাপ-নিকাচ দাখিল কৰে সম্পাদক মানৱ প্ৰতিম দাসে। যোৱা বৰ্ষত মুঠ জমা হয় ২১,৩৬,২০৫ টকা। ইয়াৰে ২০,৮৪,৩৬৫ টকা খৰচ হোৱাৰ বিপৰীতে ৫১,৮৪০ টকা ৰাহি কৰিবলৈ সক্ষম হয়। জমা খৰচৰ ওপৰত আমান উল্লাহ পাছা, ডাঃ মৃণ্ময় কুমাৰ নাথ, নয়ন কুমাৰ দাসকে ধৰি বিভিন্নজনে শৃংখলাবদ্ধভাৱে বিহু সন্মিলনীখন উদযাপন কৰাত প্ৰশংসা কৰাৰ উপৰিও ধন ৰাহি হোৱাত সন্তোষ প্ৰকাশ কৰে। মঙলদৈ যুথ ক্লাবৰ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, মঙলদৈৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, ৰানা আলম, ড০ চহিৰ ভুঞা, হৰেন্দ ৰাজবংশী, প্ৰতাপ বৰদলৈ, মৃণাল ৰাজবংশীক আদি উপস্থিত থকা সভাত শিল্পী পেঞ্চন লাভ কৰা প্ৰণৱ চহৰীয়া আৰু স্পপন ঘোষক সম্বৰ্ধনা জনোৱা হয়। সভাত পুনৰ গুৰুজ্যোতি দাসক সভাপতি, নিৰ্মালী দেৱী শৰ্মাক কাৰ্যকৰী সভাপতি, ৰাজীৱ কুমাৰ ডেকাক মুখ্য উপদেষ্টা আৰু মানৱ প্ৰতিম দাসক সাধাৰণ সম্পাদক হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচন কৰে।

# চাবুৱাৰ ডিকম টাউনত অখণ্ড হৰি কীৰ্তনৰ অপূৰ্ব দৃশ্য

## ৰোজা ৰাখি অখণ্ড কীৰ্তনলৈ আহিল ইছলামধৰ্মী

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১২ মাৰ্চঃ** সমগ্ৰ দেশত এতিয়া ধৰ্মৰ নামত ঘৃণাৰ বিষবাষ্প চটিওৱাৰ ৰাজনীতি চলিছে। দিনে-নিশাই একাংশৰ মুখত হিন্দু-মুছলমানৰ কথাই সামাজিক বাতাবৰণ কলুষিত কৰি পেলাইছে। ঈদ, ফাকুৱাক লৈ দেশৰ বিতৰ্ক চলিছে যদিও অসমত দেখা পোৱা গৈছে এক বিপৰীত দৃশ্য। ৰোজাৰ মাহ চলি থকাৰ সময়তে অসমত হিন্দুৰ উৎসৱত মুছলমানক অতিথি হিচাপে মাতি আনি ফুলাম গামোচাৰে আদৰণি জনালে। ডিব্ৰুগড় জিলাৰ চাবুৱাৰ ডিকমত চলি থকা অখণ্ড হৰি কীৰ্তন অষ্টযামত দেখা গ'ল এই সুন্দৰ দৃশ্য। ডিকম টাউনত কালিৰে পৰা আৰম্ভ হোৱা অখণ্ড হৰি কীৰ্তন অষ্টযামত আজি কলহ যাত্ৰা উলিয়ায়। পুৱা মহিলাসকলে হাতে হাতে কলহ আৰু পুৰুষসকলে জয় শ্ৰী ৰাম লিখা বেনাৰ লৈ ডিকম টাউনত শোভাযাত্ৰা কৰাৰ লগতে নামঘৰ আৰু মন্দিৰত সেৱা লয়। অষ্টযাম শোভাযাত্ৰাত দেখা যায় বহু ইছলামধৰ্মী লোকক। ডিকমৰ বিশিষ্ট সমাজকৰ্মী চফি আলম খানক অতিথি হিচাপে মাতি আনি গামোচাৰে আদৰণি জনায় উদযাপন সমিতিয়ে। ব্যৱসায়ী চফি আলম খানে কয় যে এই দৃশ্য দেখি মোৰ ক'বলৈ ভাষা নাই। ৰোজাৰ মাহত আমাক সকলোকে মাতি অনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। ৰমজান মাহ চলি আছে। আনহাতে অষ্টযাম পাতিছে। তাতেই এওঁলোকে আমাক যেনেতেনে উপস্থিত থাকিব লাগিব বুলি কৈ মাতি আনিছে। মই আনন্দিত। ডিকমত কোনো জাতিৰ ভেদাভেদ নাই। চাহ জনগোষ্ঠী, মাৰোৱাৰী, অসমীয়া, বিহাৰী সকলোৱে মিলি আছে। ইয়াত হিন্দু-মুছলমান নাই। বিহু, ঈদ, পূজা আমি সকলোৱে মিলি পাতো। ধৰ্ম মানে হৈছে মানৱ সেৱা। সকলোৱে এক ঈশ্বৰৰ সন্তান বুলিও কয় চফি আলম খানে। ডিকমত বসবাস কৰি থকা ভোজপুৰি, মাৰোৱাৰী, ইছলাম ধৰ্মালম্বী, বেংগলী সকলোৱে কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে কলহ যাত্ৰাৰ সময়ছোৱাত পবিত্ৰ ৰমজান মাহত ইছলাম ধৰ্মালৱম্বী লোকসকলে এই যাত্ৰাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপদেষ্টা ৰমেশ গোহাঁই, উপ-সভাপতি অজয় গগৈ, ডিকমৰ চাহ উদ্যোগপতি নুৰ আলম খান, যুৱ সমাজকৰ্মী দিপাংক দত্ত, আছলাম খান আদি কৰি ডিকম অঞ্চলৰ বহুকেইজন ব্যৱসায়ী তথা গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# গামাৰিমুৰীত ৰাজহুৱা দৌল সভা মহোৎসৱ

**ই-সংবাদ, চামতা, ১২ মাৰ্চঃ** পশ্চিম নলবাৰীৰ গামৰিমুৰী গাঁওৰ শ্ৰীশ্ৰী গোপীনাথ মন্দিৰ প্ৰাংগণত কাইলৈৰপৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৩৩ সংখ্যক বাৰ্ষিক ৰাজহুৱা দৌল সভা মহোৎসৱ উদযাপনৰ আয়োজন কৰা হৈছে । উদযাপন সমিতিৰ মুখ্য সম্পাদক মনোৰঞ্জন বৰ্মনে আজি এক প্ৰেছ বিবৃতি যোগে জানিবলৈ দিয়া মতে, কাইলৈ পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব সভাপতি প্ৰণৱ বৰ্মনে। শ্বহীদ তৰ্পণ কৰিব উপ-সভাপতি দিলীপ শৰ্মাই। গছপুলি ৰোপণ কৰিব কন্দৰ্প ভাগৱতী, ভুৱনেশ্বৰ ডেকা, নগেন শৰ্মা, উত্তম বৰ্মন আৰু প্ৰতাপ বৰ্মনে। দুপৰীয়া ভাগৱত পাঠ কৰিব পাঠক সতীশ ৰাজবংশীয়ে। সন্ধিয়া ৰাইজৰ মংগল আৰু শান্তিৰ বাবে বন্তি প্ৰজ্বলন কৰিব চামতা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰোহিত চেত্ৰী, বৰবৰাৰ ধৰণী বৰ্মন আৰু সনোৰাৰ গজেন মজুমদাৰে। আতচবাজী অনুষ্ঠান উদ্বোধন কৰিব সন্তোষ কুমাৰ ডেকা আৰু নিহাৰিকা ডেকাই। সন্ধিয়া ৬.৩০ বজাৰপৰা নাগাৰা নাম পৰিৱেশন কৰিব তামুলপুৰৰ মহিলা পাঠক শেৱালী দাসৰ দলে। উদ্বোধন কৰিব মধুপুৰ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ শৰ্মাই। ১৪ মাৰ্চৰ পুৱা ১০ বজাৰপৰা হোম-যজ্ঞানুষ্ঠান আৰম্ভ কৰা হ'ব । ১১.৩০ বজাত অক্ষয় বন্তি প্ৰজ্বলন কৰিব চন্দ্ৰকান্ত তালুকদাৰ, ফণী দাস, গোবিন্দ ভৰালী আৰু ঘনকান্ত বৰ্মনে। ১১ বজাৰপৰা নাগাৰা নাম পৰিৱেশন কৰিব চামতাৰ পাঠক কুশল বৰ্মনৰ দলে। দুপৰীয়া ২ বজাত সমূহীয়া পুষ্পাঞ্জলি প্ৰদান। ২.৩০ বজাত সমূহীয়া প্ৰসাদ আৰু ভোগ বিতৰণ কৰা হ'ব। আবেলি ৪ বজাৰপৰা পাইকান বনমাজাৰ শিৰোমণি মহিলা থিয়নামৰ পাঠক পূৰ্ণিমা হালৈৰ দলে থিয়নাম পৰিৱেশন কৰিব। সন্ধিয়া ৭ বজাৰপৰা নাগাৰা নাম পৰিৱেশন কৰিব দৰঙৰ পাঠক মহেশ ডেকাৰ দলে। উদ্বোধন কৰিব সমাজকৰ্মী সঞ্জীৱ তালুকদাৰে। ১৫ মাৰ্চৰ পুৱা ১০ বজাত সমূহীয়া হোলী খেল। আবেলি আয়তীৰ নাম। সন্ধিয়া ৫ বজাৰপৰা পশ্চিম চামতাৰ দ্য নিনজা ডেন্স একাডেমী আৰু চামতাৰ সৃষ্টি ডেন্স গ্ৰুপৰ শিল্পীসকলে নৃত্যানুষ্ঠান পৰিৱেশন কৰিব। নিশা ৯ বজাত বিশেষ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব নলবাৰী জিলা বিজেপিৰ উপ-সভাপতি পবিত্ৰ কুমাৰ ডেকাই। এই সাংস্কৃতিক অনুষ্ঠানত গীত-মাত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী প্ৰাঞ্জল কাশ্যপ আৰু কিমিয়ে। সমগ্ৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতিৰ লগতে সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# দৌলযাত্ৰা উপলক্ষে মৰিগাঁৱত স্থানীয় বন্ধৰ ঘোষণা

**ই-সংবাদ, মৰিগাঁও, ১২ মাৰ্চঃ** আগন্তুক পবিত্ৰ দৌলযাত্ৰা আৰু হোলী উৎসৱ উপলক্ষে অহা ১৫ মাৰ্চত মৰিগাঁও জিলা প্ৰশাসনে জিলাখনত স্থানীয় বন্ধ ঘোষণা কৰিছে। মৰিগাঁৱৰ জিলা দণ্ডাধীশ দেৱাশিস শৰ্মাৰ স্বাক্ষৰিত এক নিৰ্দেশনা পত্ৰত উক্তদিনা জিলাখনৰ অন্তৰ্গত সমূহ চৰকাৰী আৰু বে-চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বেংক, বিত্তীয় প্ৰতিষ্ঠান আদি সম্পূৰ্ণৰূপে বন্ধ থাকিব। এন আই এক্ট ১৯৮১ৰ অধীনত ই চি এফ, এম পি ই ১৪২৪৫০/১২-এ, দিনাংক: ১২/০৩/২০২৫ নং আদেশৰ জৰিয়তে এই স্থানীয় বন্ধ ঘোষণা কৰাৰ কথা জানিব পৰা গৈছে।

# চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত সাতবিহু পালনৰ প্ৰস্তুতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ মাৰ্চঃ** সাতবিহু উদযাপন সমিতিয়ে স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত বিগত দহ বছৰৰ দৰে এইবছৰো ৭ ব'হাগত এই বিহু পালন কৰিব। এই উদ্দেশ্যে স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত সাতবিহু উদযাপন সমিতিৰ কাৰ্যালয়ত সমিতিৰ সভাপতি কমলজ্যোতি গগৈৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমিতিৰ সম্পাদক ৰাজীৱ গগৈয়ে আঁতধৰা সভাখনত সাতবিহুৰ লগত সংগতি ৰাখি এইবছৰ কুইজ প্ৰতিযোগিতা, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত কৰে। পূৰ্বৰ পৰম্পৰাৰে পতাকা উত্তোলন, অঞ্চলটোৰ বয়োজ্যেষ্ঠ বিহুৱা-বিহুৱতীক সম্বৰ্ধনা, জেং বিহু প্ৰতিযোগিতা, পৌৰাণিক ধৰণেৰে স্বকীয় বৈশিষ্ট্যৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ বিহু, হুঁচৰি প্ৰদৰ্শন, সাজপাৰ প্ৰতিযোগিতা, আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত পৰিৱেশন আদি অনুষ্ঠিত কৰিবলৈ সভাখনত সিদ্ধান্ত কৰে। তদুপৰি, ৫ এপ্ৰিলত স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰতে শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে দলীয় আৰু মুকলি শাখাত এককভাৱে বিহু সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত কৰে। সাতবিহুৰ লগত সংগতি ৰাখি এইবছৰো স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিব। যোৱা বছৰ সাতবিহু সমিতিয়ে অনুষ্ঠিত কৰা স্মৃতিগ্ৰন্থ প্ৰতিযোগিতাৰ বিজয়ীসকলক এইবছৰৰ সাত বিহুৰ মুকলি সভাত অন্যান্য প্ৰতিযোগিতাসমূহৰ লগতে স্মৰণিকা প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰে। কুইজ প্ৰতিযোগিতা, জেং বিহু প্ৰতিযোগিতাৰ লগতে প্ৰদৰ্শনী আৰু অন্যান্য কাৰ্যসূচী ৰূপায়ণৰ বাবে মূল সমিতিক সহযোগিতা কৰাৰ উদ্দেশ্যে আৰু সাতবিহু সফলভাৱে ৰূপায়ণ কৰাৰ উদ্দেশ্যে ভালেকেইখন উপ-সমিতি আজিৰ সভাখনতে গঠন কৰা হয়।

# ভৱানীপুৰ সত্ৰত ৪ দিনীয়াকৈ দৌল মহোৎসৱ

**ই-সংবাদ, ভৱানীপুৰ, ১২ মাৰ্চঃ** ফাগুনৰ সুবাস লৈ আকৌ আহিল ৰং, আনন্দ, সমন্বয়-আধ্যাত্মিকতাৰ উৎসৱ হোলী। কাইলৈৰপৰা ৰাজ্যৰ ভিন্নপ্ৰান্তৰ লগতে ভৱানীপুৰতো উদযাপন হ'ব শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ। চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ভৱানীপুৰ সত্ৰত কাইলৈৰপৰা শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ উদযাপন হ'ব। দৌল মহোৎসৱ উপলক্ষে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ভৱানীপুৰ শাখাৰ উদ্যোগত ভৱানীপুৰত অনুষ্ঠিত হয় প্ৰাইজমানি হোলীগীতৰ প্ৰতিযোগিতা। ভৱানীপুৰ শংকৰদেৱ শিশু নিকেতন প্ৰাংগণত অনুষ্ঠিত এই হোলীগীত প্ৰতিযোগিতা আজি বিয়লি ৪ বজাত আনুষ্ঠানিকভাৱে মুকলি কৰে বিশিষ্ট সমাজকৰ্মী নিপামণি কলিতাই। প্ৰতিযোগিতা মুকলি কৰি কলিতাই হোলীগীতৰ আধ্যাত্মিকতা আৰু সমাজত উৎসৱৰ প্ৰয়োজনীয়তা সম্পৰ্কে এক সাৱলীল ভাষণ আগবঢ়ায়। ইয়াৰ পাছতেই ৰাজ্যৰ ভিন্নপ্ৰান্তৰ হোলীগীতৰ দলে পৰিৱেশন কৰা হোলীগীতেৰে গুঞ্জৰিত হৈ পৰে ভৱানীপুৰ শংকৰদেৱ শিশু নিকেতন প্ৰাংগণ। দুটা শাখাৰ মাজত অনুষ্ঠিত এই হোলীগীত প্ৰতিযোগিতাৰ মুকলি অনুষ্ঠানত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বিধায়ক কোষৰ তত্ত্বাৱধায়ক প্ৰসেনজিৎ চৌধুৰী, ভৱানীপুৰ শতদল সাহিত্য সভাৰ সভাপতি হিতেন্দ্ৰ নাথ ডেকা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৰপেটা জিলাৰ সাংগঠনিক সম্পাদক ভৃগু বৰা, বৰপেটা জিলা প্ৰমুখ তথা ৰাজ্যিক মেডিভিশ্বন তত্ত্বাৱধায়ক চন্দন বক্সীয়াৰী, ভাৰতীয় জনতা পাৰ্টিৰ বজালী জিলা সমিতিৰ সম্পাদিকা মামণি পাটগিৰি, ভৱানীপুৰ মণ্ডল সমিতি সভাপতি দিগন্ত চৌধুৰীকে ধৰি কেইবাগৰাকী লোক অতিথি হিচাপে উপস্থিত আছিল। প্ৰতিযোগিতাখনৰ আঁতধৰে সাংস্কৃতিক কৰ্মী মণ্টু দাসে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# পিতৃৰ আদ্যশ্ৰাদ্ধৰ দিনাই পুত্ৰই উন্মোচন কৰিলে বিশেষ গ্ৰন্থ

**ই-সংবাদ, শুৱালকুছি, ১২ মাৰ্চঃ** আশা আছিল পিতৃৰ হতুৱাই উন্মোচন কৰাব পুত্ৰই লিখা গ্ৰন্থ, কিন্তু পূৰ্ণ নহ'ল পুত্ৰ ধ্ৰুৱজ্যেতি পাঠকৰ আশা। গ্ৰন্থ উন্মোচন কৰাৰ পূৰ্বেই যোৱা ২৫ ফেব্ৰুৱাৰীত বংশৰৰ বিশিষ্ট সমাজকৰ্মী উমেশ্বৰ পাঠকৰ মৃত্যু হয়। আজি বিশিষ্ট সমাজকৰ্মীগৰাকীৰ আদ্যশ্ৰাদ্ধত পুত্ৰ ধ্ৰুৱজ্যোতি পাঠকৰ দ্বাৰা ৰচিত পাঁচখন একাংকিকা নাটকৰ সংকলন 'পঞ্চাৰ্ঘ' উন্মোচন কৰা হয়। যাত্ৰা গ্ৰাম্য পুথিভঁৰাল বংশৰৰ উদ্যোগত অনুষ্ঠিত হোৱা এই গ্ৰন্থ উন্মোচনী সভা সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত বেংক বিষয়া ৰবীন পাঠকে। 'পঞ্চাৰ্ঘ' উন্মোচন কৰে ৮৭ নং বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিশিষ্ট নাট্যকৰ্মী ৰমেশ দাসে। ৰিতম পুথিভঁৰাল, শুৱালকুছিৰৰ সঞ্চালক বিকাশ কলিতাকে আদি কৰি বংশৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে মৃতকৰ গুণানুকীৰ্তন কৰাৰ উপৰি বৰপুত্ৰৰ এনে মহান আৰু ব্যতিক্ৰমী কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰে। এই গ্ৰন্থ উন্মোচনী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সনাতন বৈশ্যই আৰু আঁত ধৰে শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই। সভাত বংশৰ আমবাৰী গাঁৱৰ গাঁওপ্ৰধান ৰজনীকান্ত দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশচন্দ্ৰ দাস, মনোমোহন দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ হৰমোহন দাস, অনন্ত কুমাৰ দাস, বিশিষ্ট সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতি আদি উপস্থিত থাকে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় নাট্যকাৰ ধ্ৰুৱজ্যোতি পাঠকে। এইকাৰ্যক স্থানীয় ৰাইজে প্ৰশংসা কৰিছে।

# দৌল গোবিন্দ মন্দিৰত পাঁচদিনীয়া দৌলোৎসৱৰ শুভাৰম্ভ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১২ মাৰ্চঃ** অসমৰ প্ৰসিদ্ধ মন্দিৰসমূহৰ অন্যতম হ'ল উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত মহাপ্ৰভু শ্ৰীশ্ৰী দৌল গোবিন্দ মন্দিৰ। ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ এই মন্দিৰ প্ৰধানকৈ নামনি অসমৰ ভক্তগণৰ কৃষ্ণ উপাসনাৰ এক মুখ্য স্থান। প্ৰতিবছৰে দৌল পূৰ্ণিমাৰ সময়ত ইয়াতো ধুমধামেৰে দৌলোৎসৱ পালন কৰা হয়। লক্ষাধিক ভক্তৰ সমাগমেৰে দৌলোৎসৱৰ এই দিনকেইটাত সমগ্ৰ উত্তৰ গুৱাহাটীতে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। বিগত কিছু বছৰৰপৰা পাঁচদিনীয়াকৈ এই দৌলোৎসৱ পালন কৰি অহা হৈছে। শ্ৰীশ্ৰী দৌল গোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ৰাতুল বৰুৱাই জনাইছে যে এইবৰ্ষত কিছু ব্যতিক্ৰমী ৰূপত দৌলোৎসৱ পালন কৰা হ'ব। দৌলোৎসৱৰ গোটেইকেইটা দিনতেই নাম-প্ৰসংগৰে মুখৰিত হৈ থাকিব মন্দিৰ চৌহদৰ লগতে সমগ্ৰ উত্তৰ গুৱাহাটী অঞ্চল। স্থানীয় আয়তীসকলৰ নাম-প্ৰসংগৰ উপৰি থাকিব আমন্ত্ৰিত বহুকেইটা নাগাৰা নাম দলৰ নাম প্ৰদৰ্শন তথা নিকটৱৰ্তী অঞ্চলৰ শিল্পীসকলৰ দ্বাৰা ভাওনা প্ৰদৰ্শন। মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক গণেশ দাসে জনাইছে যে স্থানীয় যুৱক সংঘৰ সদস্যসকলে তৃতীয় নিশা এখন পূৰ্ণাংগ নাট পৰিৱেশন কৰিব। চতুৰ্থ দিনৰ নিশা আমন্ত্ৰিত শিল্পীৰ সংগীত পৰিৱেশনৰ উপৰি থাকিব স্থানীয় কলা-কুশলীসকলৰ ধৰ্মমূলক গীত-নৃত্য আদিৰ পৰিৱেশন। মন্দিৰ প্ৰাংগণত কালি প্ৰথম দিনা পৰম্পৰাগত মেষ-দাহ প্ৰথা সম্পন্ন কৰা হ'ব আৰু ইয়াৰ পিছতেই সম্পূৰ্ণ বৈদিক ৰীতি-নীতি পালন কৰি সন্ধিয়াৰেপৰা পূজা সম্পন্ন কৰা হ'ব। দৌলোৎসৱৰ অন্তিম দিনা দিনৰভাগত মহাপ্ৰভুৰ বিগ্ৰহ মণিকূট গৃহৰপৰা বাহিৰলৈ উলিয়াই নগৰ পৰিভ্ৰমণৰ উদ্দেশ্যে শোভাযাত্ৰা কৰি লৈ যোৱা হ'ব। এই বছৰো লক্ষাধিক ভক্তৰ সমাগম আশা কৰিছে মন্দিৰ পৰিচালনা সমিতিয়ে।

# তিনিচুকীয়াত ভিগেন ইণ্ডিয়াৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ মাৰ্চঃ** তিনিচুকীয়াৰ ৰঙাগড়া পথত থকা ভিগেন ইণ্ডিয়াৰ তিনিচুকীয়া শাখাৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে সমূহ ভিগেন পৰিয়াল তথা মা হেলথ কেয়াৰৰ সহযোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ লগত সংগতিৰাখি বৃক্ষৰোপণ, গীতা পাঠ, সমৱেত সংগীত, সাংস্কৃতিক কাৰ্যসূচী আদি অনুষ্ঠিত হয়। দুপৰীয়া নিৰ্মালী বৰকটকী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে ৰিণু গগৈয়ে। সভাত ভিগেন ইণ্ডিয়াৰ জ্যেষ্ঠ বিষয়া, প্ৰতিষ্ঠাপক ৰেব বৰুৱা, সাহিত্যিক, সমাজকৰ্মী অতুল চন্দ্ৰ শৰ্মা, বিশিষ্ট সাংবাদিক ৰঞ্জিত দত্ত, জ্যেষ্ঠ সাংবাদিক, সমাজসেৱক, লেখক ৰূপম কাকতিকে প্ৰমুখ্যে কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে ভিগেন ইণ্ডিয়াত অত্যাধুনিক বিজ্ঞানসন্মত থেৰাপি পদ্ধতিৰে বিভিন্ন ৰোগ নিৰাময় কৰা হয়। সুদীৰ্ঘ ২১ বছৰে সফলতাৰে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ লগতে ভাৰতবৰ্ষতো কম সময়ৰ ভিতৰতে ভিগেন ইণ্ডিয়া জনপ্ৰিয় হৈ উঠিছে বুলি মন্তব্য কৰে জ্যেষ্ঠ বিষয়া ৰেব বৰুৱাই। আজিৰ অনুষ্ঠানত ভিগেন ইণ্ডিয়া মা হেলথ কেয়াৰৰ বিষয়ববীয়াসকলকো উদ্যোক্তাসকলে সম্বৰ্ধনা জনায়।

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, গুৱাহাটী, ১২ মাৰ্চঃ** আজি 'মামৰে ধৰা তৰোৱাল'ৰ স্ৰষ্টা, জ্ঞানপীঠ বঁটা প্ৰাপক মামনি ৰয়ছম গোস্বামীৰ ওপজা ভূমি আমৰাংগা বৰিহাটত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিষ্ঠা দিৱস পৰিষদৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। 'নবোদয় আদৰ্শ বিদ্যা মন্দিৰ' প্ৰাংগণত অনুষ্ঠিত কৰা হয় এই অনুষ্ঠান। ১৯৭৮ চনৰ আজিৰ দিনটোতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ভূমিষ্ঠ হৈছিল। পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি মদন দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ আঁত ধৰাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে পৰিষদৰ জিলা সমিতিৰ সম্পাদক বিনোদ কলিতাই। সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক দীপক শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশ লৈ কয়-- জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে জন্মলগ্নৰ পৰা ইতিবাচক মনোভাৱেৰে কাম কৰি আহিছে। আমি শৈশৱৰ পৰা ছাত্ৰ-ছাত্ৰীক চিকিৎসক-অভিযন্তাৰ পৰিৱৰ্তে সৎ মানুহ হিচাপে গঢ় দিয়াৰ পোষকতা কৰিব লাগে। সভাত নৱোদয় আদৰ্শ বিদ্যা মন্দিৰৰ পৰিচালন সচিব কল্প কলিতাই অতিথিৰ ভাষণত কয় যে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মহান লক্ষ্য মন কৰিবলগীয়া। পৰিষদৰ দৃষ্টিভংগী আৰু আদৰ্শ অসম প্ৰীতিয়ে সংগঠনটোৰ ভেটি মজবুত কৰিছে। সভাত অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক মিলন মহন্ত, নৱোদয় আদৰ্শ বিদ্যা মন্দিৰৰ অধ্যক্ষ লক্ষ্মী কাকতি দাস, জাতীয় মহিলা পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি অদিতি কলিতা, সম্পাদক দিপালী কলিতা, পৰিষদৰ জিলা সমিতিৰ যুটীয়া সম্পাদক ৰাজা বৰুৱা, সাংগঠনিক সম্পাদক কনক দাস সন্মানিত অতিথি হিচাপে অংশ লয়। সভাৰ সভাপতি মদন দাসে উদ্যোগ প্ৰতিষ্ঠাৰ দোহাই দি কৃষি ভূমি বিনষ্ট কৰা, জাতিক তিল তিলকৈ বিপথে পৰিচালিত কৰা, ৬-৮ হেজাৰ টকীয়া মাহেকীয়া দৰমহাৰে অসমীয়া নিবনুৱাক শোষণ, নিষ্পেষণ কৰা কাৰ্য ব্যৱস্থাক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে দক্ষিণ কামৰূপৰ কৃষকৰ ভূমি কোনো কালে বিনষ্ট হ'বলৈ নিদিয়ে বুলি কয়। সভাত দৃষ্টিৰাণী কলিতাই গীত, গীতাঞ্জলি দাস, ৰুমী কলিতাই কবিতা আবৃত্তি কৰি পৰিৱেশটো প্ৰাণৱন্ত কৰি তোলে। ইয়াৰ পূৰ্বে অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ নিম্ন শাখাত প্ৰথম স্থান প্ৰিন্স কলিতা, ২য় শ্যামন্তিকা মহন্ত, ৩য় লিজা কলিতাই লাভ কৰে। উচ্চ শাখাত ১ম সৌৰভজ্যোতি দাস, ২য় দৃষ্টিৰাণী কলিতা, ৩য় গীতাঞ্জলি দাসে লাভ কৰে। বানান প্ৰতিযোগিতাত ১ম গীতাঞ্জলি দাস, ২য় সৌৰভজ্যোতি দাস আৰু ৩য় স্থান দৃষ্টিৰাণী কলিতাই লাভ কৰে। সভাৰ আদিতে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# বালাজানত ইটাভাটাৰ মালিকে শ্ৰমিকক অপহৰণ কৰি চলালে নিৰ্যাতন

**ই-সংবাদ, গোলকগঞ্জ, ১২ মাৰ্চঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত বতুৰাতলী গাঁৱৰ এটা ইটা ভাটাৰ পৰা মালিকে শ্ৰমিকক অপহৰণ কৰি নি মাৰপিট কৰি মুমূৰ্ষু অৱস্থাত পেলাই থৈ যোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শ্ৰমিকজন দেৱত্তৰ হাসদহ ষষ্ঠ খণ্ড গাঁৱৰ নুৰ ইছলাম। একে গাঁৱৰ ইটা ভাটাৰ মালিক তথা সমবায় সমিতিৰ এজেণ্ট ৰহিমুল হক প্ৰধানীয়ে দহ মাৰ্চৰ সন্ধিয়া সুলভ মূল্যৰ চাউল সংগ্ৰহৰ ফিংগাৰ প্ৰিন্ট দিয়াৰ উদ্দেশ্যে বতুৰাতলিৰ এছ বি আই ইটা ভাটাৰ সন্মুখলৈ মাতি নিয়ে। তাৰ পিছৰ পৰাই পৰিয়ালৰ লোকে কোনো সন্ধান বিচাৰি নাপায় নুৰ ইছলামৰ। অপহৰণ কৰি নিয়াৰ পিছতে ৰাহুলৰ সহযোগী চিৰাজুলক ফোন কৰি পুত্ৰ আব্দুল জালালৰ পৰা ডেৰ লাখ টকা মুক্তিপণ দাবী কৰে। উপায়ন্তৰ হৈ ঘটনা সন্দৰ্ভত ইছলামৰ পুত্ৰ আব্দুল জালাল ৰহিমুল হক প্ৰধানী আৰু চিৰাজুল হক প্ৰধানীৰ বিৰুদ্ধে বালাজান আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। ঘটনাটোত এটা ইটা ভাটাৰ মালিক প্ৰত্যক্ষভাৱে জড়িত থকাৰ লগতে ঘটনাটোও সংঘটিত হয় এটা নিৰ্দিষ্ট ইটা ভাটাৰ সন্মুখত। ৰহস্যজনকভাৱে এজাহাৰক গুৰুত্ব আৰোপ কৰাৰ পৰা বিৰত থাকে আৰক্ষী বিষয়া ৰিদিপ ৰায়। অভিযোগ মতে, ৰাহুল আৰু চিৰাজুলে দাবী কৰা ধন নাপাই নুৰ ইছলামৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায়। মাৰপিট কৰাৰ লগতে শৰীৰৰ বিভিন্ন অংশত জুই লগাই জ্বলাই দিয়ে। গুৰুতৰভাৱে আহত কৰি অচেতন অৱস্থাত কালি সন্ধিয়া পথৰ কাষত পেলাই থৈ যায় নুৰ ইছলামক। স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বালাজান আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে নুৰ ইছলামক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰে। বৰ্তমানো নুৰ ইছলাম চিকিৎসাধীন হৈ আছে যদিও আৰক্ষীৰ নমনীয় ভূমিকাই ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি ইলেক্ট্ৰনিক মাধ্যমত বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছতে আৰক্ষীয়ে এজাহাৰ পঞ্জীয়ন কৰি দায়িত্ব সামৰাৰ অভিযোগ উত্থাপিত হৈছে।

# এআইচিচিৰ সম্পাদক মনোজ চৌহানৰ বটদ্ৰৱা থান দৰ্শন



**ই-সংবাদ, বেৰেজীয়া, ১২ মাৰ্চঃ** পবিত্ৰ দৌল উৎসৱৰ প্ৰাক্কক্ষণত বুধবাৰে বটদ্ৰৱা থানত সেৱা ল'লে এ আই চি চিৰ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ তত্ত্বাৱধায়ক মনোজ চৌহানে। অসমীয়া জাতীয় সাজ পৰিধান কৰি কংগ্ৰেছৰ কেন্দ্ৰীয় নেতাগৰাকীয়ে পোনে পোনে বটদ্ৰৱা থানৰ কীৰ্তন ঘৰত প্ৰৱেশ কৰি সেৱা গ্ৰহণ কৰে। ইয়াৰ পিছত তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ স্মৃতিবিজড়িত পদশিলা, শিলিখা বৃক্ষ, আকাশী গংগা দৰ্শন কৰি আপ্লুত হৈ পৰে। বটদ্ৰৱা থান দৰ্শন কৰাৰ অন্তত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতাগৰাকীয়ে সাংবাদিকৰ আগত শংকৰদেৱ অসম নহয়, ভাৰত নহয় সমগ্ৰ বিশ্বৰ বাবে আদৰ্শ বুলি উল্লেখ কৰি কয় যে শংকৰদেৱে মানৱ সেৱা, একতাৰ বাণী বিলাই গৈছে। সেই আদৰ্শৰ অনুপ্ৰেৰণাত আমি গুৰু শংকৰক শতকৌটি প্ৰণাম কৰিছো। আজি মই এই পৱিত্ৰ স্থানত উপস্থিত হ'বলৈ পাই ধন্য হৈ পৰিছো। বটদ্ৰৱা থান দৰ্শনৰ সময়ত এ আই চি চিৰ সম্পাদক মনোজ চৌহানক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক মৃণাল হাজৰিকা, কংগ্ৰেছ দলৰ জিলা সভাপতি প্ৰশান্ত শইকীয়াকে ধৰি কেইবাগৰাকীও নেতা-কৰ্মীয়ে সংগ দিয়ে।

# ডিকমত হিন্দু-মুছলমানৰ ইফটাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১২ মাৰ্চঃ** দশকৰ পৰা দশক ধৰি শান্তি-সম্প্ৰীতিৰে বসবাস কৰি অহা ডিব্ৰুগড় জিলাৰ চাবুৱাৰ ডিকমবাসীয়ে সোমবাৰে আকৌ এবাৰ সম্প্ৰীতিৰ সুন্দৰ বাৰ্তা দিয়ে। জাতি, ধৰ্ম, বৰ্ণৰ ভেদাভেদ নেওচি ঐক্য, সংহতিৰে বসবাস কৰা চাবুৱাৰ ডিকমবাসীয়ে ৰমজানৰ ইফটাৰ পালন কৰি হিন্দু-মুছলমানৰ সংহতি চিৰস্থায়ী হৈ থকাৰ বাৰ্তা দিয়ে। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ৰমজান মাহ চলি থকাৰ সময়তে চাবুৱাৰ ডিকম মছজিদত সমূহীয়া ইফটাৰ পালন কৰা হয়। ৰমজান মাহ উপলক্ষে ডিকমৰ স্থানীয় যুৱক সংঘই বিশেষ ইফটাৰ পাৰ্টিৰ আয়োজন কৰে। ইফটাৰ অনুষ্ঠানত অঞ্চলটোৰ সকলো শ্ৰেণীৰ লোক অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। বিভিন্ন সুস্বাদু খাদ্য সম্ভাৰেৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে সমূহীয়া ইফটাৰ কৰে। ইছলামধৰ্মী লোকসকলৰ সৈতে সকলো ধৰ্মৰ লোকে ইফটাৰত বিশ্ব শান্তিৰ বাবে দোৱা কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি হিচাপে খ্যাত ডিকমত আয়োজন কৰা ইফটাৰ পাৰ্টিৰ দ্বাৰা হিন্দু-মুছলমানৰ সমন্বয়ৰ এক বিশেষ বাৰ্তা দিছে।

# ঝাপুচাবাৰীত অগ্নিকাণ্ড, বিস্তৰ ক্ষয়-ক্ষতি



**ই-সংবাদ, গোলকগঞ্জ, ১২ মাৰ্চঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱত আজি পুৱতি নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে, গাঁওখনৰ তছদ্দিন সেখ পুৱা উঠি হঠাতে ঘৰৰ মুধচত জুই প্ৰত্যক্ষ কৰে। চিঞৰ-বাখৰ কৰাত ওচৰ চুবুৰীয়াই হাতে হাতে বাল্টি লৈ ওলাই আহি জুই নুমুৱাবলৈ যৎপৰোনাস্তি চেষ্টা চলায়। ইফালে, অগ্নিনিৰ্বাপক বাহিনীকো খবৰ দিয়া হয়। স্থানীয় ৰাইজে ডেৰ ঘণ্টা ধৰি চেষ্টা চলাই জুই নুমুৱাবলৈ সক্ষম হয়। জুই নুমুৱাৰ পিছতহে গোলকগঞ্জৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি ঘটনাস্থলীত উপস্থিত হয়। অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ডেৰ ঘণ্টা পলমকৈ উপস্থিত হোৱাক কেন্দ্ৰ কৰি উপস্থিত ৰাইজ উত্তেজিত হৈ পৰে। পিছত সচেতন ৰাইজৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হয়। চাৰিটা গৃহ, এখন বাইক, চাইকেল, কৃষি কাৰ্যৰ আধুনিক সঁজুলি, খেৰৰ দম, নগদ ধন আদি অগ্নিকাণ্ডত ভস্মীভূত হয়। অৱশ্যে ৰাইজৰ তৎপৰতাত দুই কাষৰ ঘৰৰ লগতে ঝাপুচাবাৰী মাঝিপাৰা নামৰ প্ৰাথমিক বিদ্যালয়খন ৰক্ষা পৰে।

# নীলমণি গোস্বামীৰ আকস্মিক মৃত্যু

**ই-সংবাদ, ছিপাঝাৰ, ১২ মাৰ্চঃ** দৰং জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী নীলমণি গোস্বামীৰ যোৱা নিশা নিজা বাসগৃহত আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি ঘটে। ছিপাঝাৰৰ দেৱানন্দ গাঁও নিবাসী গোস্বামী নিশা ঘৰতে হৃদৰোগত আক্ৰান্ত হৈ মাথোঁ ৫২ বছৰ বয়সতে অকাল মৃত্যুক সাবটি লয়। উল্লেখ্য যে, এমাহ পূৰ্বে জ্যেষ্ঠ ভাতৃক হেৰুৱাই মৰ্মান্তিক আঘাত পোৱা পৰিয়ালটোৰ দুৰ্ভাগ্যজনকভাৱে দ্বিতীয়গৰাকী ব্যক্তিৰ আকস্মিক বিয়োগত শোকস্তব্ধ হৈ পৰে সমগ্ৰ দেবানন্দ অঞ্চল। গোস্বামীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ আত্মীয়, গুণমুগ্ধ তোওঁৰ বাসগৃহত উপস্থিত হৈ মৃতকক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত গোস্বামীয়ে পত্নী ভাশ্বতী পৰাশৰ আৰু একমাত্ৰ চাৰি বছৰীয়া পুত্ৰ নিতুৰ লগতে আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

# উদয় সংঘ, কেৱাইচিৰ জয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১২ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ লীগৰ গ্ৰুপ-বিৰ খেলত উদয় সংঘই জে বি ক্লাবক ৭ ৰাণত আৰু গ্ৰুপ-এৰ খেলত খুটিকটীয়া ইয়ুথ ক্লাবে পলাইট ক্লাবক পাঁচ উইকেটত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে, পুৱাবেলাৰ গ্ৰুপ-বিৰ খেলখনত উদয় সংঘই পোনতে বেট ধৰি মোহিত বাগলাৰীৰ অপৰাজিত-২৯, দিব্যজ্যোতি দাসৰ অপৰাজিত-২২ আৰু মনোজ কুমাৰ দে'ৰ-১৮ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ১৮ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১১৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত জে বি ক্লাবৰহৈ জ্যোতিস্মান মহন্তই তিনিটা, হিমাংশু বৰা আৰু ৰক্তিম কৌশিকে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত জে বি ক্লাবে বেট ধৰি অভিনৱ অনুভৱৰ-২৩, নৱজ্যোতি বৰাৰ-২১, অভিজিৎ দাসৰ-২০, উইকেট ৰক্ষক দীপ বৰাৰ-১২ আৰু ৰক্তিম কৌশিকৰ-১১ ৰাণৰ উল্লেখনীয় অৱদানৰে ১৮ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১০৯ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত উদয় সংঘৰহৈ চিত্তৰঞ্জন বৰা আৰু মনোজ কুমাৰ দে'ই তিনিটাকৈ, বাবু, গুড্ডু নাটৱাল আৰু মোহিত বাগলাৰীয়ে এটাকৈ উইকেট দখল কৰে। ইপিনে, বিয়লি গ্ৰুপ-এৰ খেলখনত পলাইট ক্লাবি পোনতে বেট ধৰি ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১২২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কে ৱাই চি দলটোৱে ১৬.৪ অভাৰতে পাঁচটা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহৰে জয়ী হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## সাৱধান! হোলীৰ

পৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জি এন জি ৰোডৰ নিবাসী ভৱালী উপাধিৰ দম্পত্তীহালক ধন দাবী কৰাত সদৰ আৰক্ষীয়ে অভিযান চলাই দ্বীপ হাজৰিকা (৪১), ছেলিম উল্লা (২৮) আৰু জামাল আলি(৪৮) ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ জালত পৰা দিলীপ হাজৰিকাৰ ঘৰ শিৱসাগৰ চহৰৰ বাবুপট্টীত। অন্যহাতে ছেলিম উল্লা আৰু জামাল আলিৰ ঘৰ ডিমৌ থানাৰ অন্তৰ্গত কৈৱত্ত দলনীত। আৰক্ষী সূত্ৰই জনোৱা মতে তিনিও গৰাকী ধুৰন্দই যোৱা ৫ মাৰ্চত অচিনাক্ত ফোন নম্বৰৰ যোগে দম্পত্তিহালক ধন দাবী কৰিছিল। তাৰ পিছতে শিৱসাগৰ সদৰ থানাত ৰুজু কৰা ৩৯/২০২৫ নং গোচৰৰ ভিত্তিত অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিৰ নেতৃত্বত থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কল্পজ্যোতি শৰ্মা, নগৰ পৰিদৰ্শক দীপাংকৰ চুতীয়াসহ এটা দলে অভিযান চলাই তিনিটা অভিযুক্তক গ্ৰেপ্তাৰ কৰে।



কোকৰাঝাৰ জিলাৰ দোতমাৰ বডোফা পথাৰত এবছৰ অধিৱেশনৰ প্ৰস্তুতিৰ এটি মুহূৰ্ত

### ডিব্ৰুগড় ভ্ৰমণৰ সময়ত অসন্তুষ্ট ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য

# শামুকীয়া গতিৰে নিৰ্মাণ চলিছে অনিৰুদ্ধদেৱৰ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১২ মাৰ্চঃ** সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লৈছিল ৰাজ্য চৰকাৰে। প্ৰস্তাৱ অনুসৰি ৰাজ্যত এখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয় অনিৰুদ্ধদেৱৰ নামত স্থাপন কৰা হ'ব। সেই অনুসৰি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ পানীএৰা গাঁৱত ২০২৩ চনত উত্তৰ-পূৰ্ব প্ৰথমখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰথমখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয়ৰ অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি ঢোল পিটিছিল বিজেপিৰ নেতা-কৰ্মীয়ে। কিন্তু শেষত গৈ সকলো ধোৱাংবাং হৈ পৰিল। কিয়নো আজিলৈ অলপো কাম আগনাবাঢ়িল। ৰাজ্য চৰকাৰ তথা ৰাজ্য প্ৰশাসনে বিশ্ববিদ্যালয়ৰ গৃহ নিৰ্মাণত গুৰুত্ব প্ৰদান নকৰিলে। আধাৰশিলা স্থাপনৰ দুবছৰ পিছতো নিৰ্মাণ কাৰ্য আগনবঢ়াত স্থানীয় দল-সংগঠন নাই উত্তৰ-পূৰ্বৰ প্ৰথমখনৰ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ প্ৰতিশ্ৰুতি কি হ'ল বুলি প্ৰশ্ন উত্থাপন কৰি আহিছে। তাৰ মাজেত ডিব্ৰুগড় জিলা ভ্ৰমণৰত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ক্ৰীড়া বিশ্ববিদ্যালয় নিৰ্মাণ হ'বলগীয়া এলেকা পৰ্যবেক্ষণ কৰে। পৰ্যবেক্ষণৰ সময়ত ক্ৰীড়া বিশ্ববিদ্যালয়ৰ লেহেমীয়া গতিত নিৰ্মাণ কাৰ্য চলাত অসন্তুষ্ট হয় ৰাজ্যপাল আচাৰ্য। বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত জড়িত বিভাগীয় অভিযন্তা তথা ঠিকাদাৰী প্ৰতিষ্ঠানৰ পৰা অগ্ৰগতিৰ বুজ লয় ৰাজ্যপাল আচাৰ্যই। ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জে বি বাৰ্মাই ২০২৬ চনৰ আগষ্ট মাহত বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিব বুলি উল্লেখ কৰে। প্ৰায় ২০০ বিঘা মাটিকালিক সামৰি বিশ্ববিদ্যালয়খনৰ নিৰ্মাণৰ দায়িত্ব পাইছিল তামিলনাড়ুৰ ৰেংক নামৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানে। কিন্তু প্ৰতিষ্ঠানটোৱে নিৰ্মাণৰ কাম আৰম্ভ কৰিব নোৱাৰি কামৰ দায়িত্ব গুজৰাটৰ বিশ্বাস নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানক হস্তান্তৰ কৰে। কিন্তু ইমানৰ পাছতো ৫৬৬২.৫০৯৬ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া বিশ্ববিদ্যালয়ৰ প্ৰকল্পৰ নিৰ্মাণকাৰ্য আগনাবাঢ়িল। আনকি বিশ্ববিদ্যালয়ৰ চাৰিসীমাৰ দেৱাল নিৰ্মাণ নহ'ল। তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতে ঘোষণা কৰা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য আজিও আৰম্ভ কৰিব নোৱাৰিলে ঠিকাদাৰী প্ৰতিষ্ঠানে। যাৰ বাবে ডিব্ৰুগড় চৌকিডিঙ্গিৰ অস্থায়ী ভৱনত অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ কাম-কাজ চলি আছে। এইখন চৰকাৰে সৰ্বানন্দ সোণোৱালাৰ দিনৰ ক্ৰীড়া বিশ্ববিদ্যালয়খনক অৱহেলা কৰা পৰিলক্ষিত হৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি